সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩২ বছৰৰ এক অবিৰত যাত্ৰা...

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved

Postal Redg. No. GH- 098/2012-17

৩২ বছৰ, ১৭ সংখ্যা, ১২ ব'হাগ, ৰবিবাৰ,১৪৩২ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪

RNI No.53883/94. GHY- 781025. Vol. 32: Issue No. 17 Date of Publication- 26April 2026 Rs. 10.00/-

## তামুলপুৰত ভয়ংকৰ পথ দুৰ্ঘটনাত নিহত প্ৰতিভাৱান বিহুৱতী-নামতি নিশামণি হালৈ



ৰঙিলী বাৰ্ত্তাসেৱা-বহাগৰ ৰং আৰু ৰঙালীৰ আনন্দৰ মাজতে আহিল বিষাদৰ বতৰা। বিহু নাচিবলৈ গৈ বিহুৰ সাজেৰে অজান দেশলৈ গুচি গ'ল নিশামণি হালৈ। ৰঙালী বিহুৰ উলাহৰ মাজতে তামুলপুৰ জিলাৰ অন্তৰ্গত নোৱাখাট শুকুৰবাৰে পুৱতি নিশা প্ৰায় ২.৩০ বজাত এক মৰ্মান্তিক পথ দুৰ্ঘটনাই তামুলপুৰৰ লগতে সমগ্ৰ ৰাজ্যতে এক শোকৰ ছাঁ পৰে। তামুলপুৰ-নাগ্ৰীজুলি পথৰ নোৱাখাটত সংঘটিত এই শোকাৱহ দুৰ্ঘটনাত নলবাৰীৰ হাৰিভাঙাৰ 'ভাস্কৰজ্যোতি বিহু হুঁচৰি দল'ৰ এগৰাকী প্ৰতিভাশালী নাচনী তথা জনপ্ৰিয় নাগাৰা নামৰ পাঠিকা নিশামণি হালৈৰ অকাল মৃত্যু ঘটে। উল্লেখ্য যে নলবাৰী জিলাৰ হাৰিভাঙাত গঢ় লৈ উঠা ভাস্কৰজ্যোতি বিহু হুঁচৰি দলে শুকুৰবাৰে নিশা তামুলপুৰৰ বাঙালীপাৰাত বিহু প্ৰদৰ্শন কৰাৰ উদ্দেশ্যে তামুলপুৰ-ওদালগুৰি পথেৰে গৈ আছিল। ৩০জনীয়া বিহু দলটো কঢ়িয়াই নিয়া এ এছ ২৫ ডিচি ৫৮৯৩ নম্বৰৰ ট্ৰেভেলাৰ বাহনখন নোৱাখাট পোৱাৰ লগে লগে বিপৰীত দিশৰ পৰা অহা পিবি ০৩ এ পি ৬৬৮১ নম্বৰৰ ট্ৰেইলাৰখনৰ সৈতে মুখামুখি সংঘৰ্ষ হয়। বিহু দলটোৰ অন্যতম সদস্য নাগাৰা নামৰ উদীয়মান পাঠক তথা বিহুৱতী ২৫ বছৰীয়া নিশামণি হালৈয়ে এই মৰ্মান্তিক দুৰ্ঘটনাটোত ঘটনাস্থলীতে শেষ নিশ্বাস ত্যাগ কৰে। দুৰ্ঘটনাৰ ফলত বাহনখনত থকা মুঠ ৩০ গৰাকী বিহুৱা-বিহুৱতীৰ ভিতৰত ১০গৰাকী গুৰুতৰভাৱে আহত হয়। ইয়াৰে (দহ পৃষ্ঠাত চাওক)



## গুৱাহাটীৰ পৰা নিৰুদ্দেশ হোৱা শিক্ষয়ত্ৰী ভাৱনাক শ্বিলঙত উদ্ধাৰ



ৰঙিলী বাৰ্ত্তাসেৱা-অৱশেষত শিক্ষয়িত্ৰী ভাৱনা শৰ্মাৰ সন্ধান ওলাল । গুৱাহাটীত নিখোঁজ হোৱা ভাৱনাৰ সন্ধান ওলাল শ্বিলঙত। শুকুৰবাৰে গুৱাহাটীৰ পৰা সন্ধানহীন হৈছিল ভাৱনা শৰ্মা নামৰ এগৰাকী যুৱতী। শিক্ষয়িত্ৰী হিচাপে কৰ্মৰত ২৭ বছৰীয়া ভাৱনা শৰ্মাৰ নিৰুদ্দেশৰ খবৰে ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছিল। গুৱাহাটীত সন্ধানহীন হোৱা ভাৱনাক শ্বিলঙত উদ্ধাৰ কৰা ঘটনাই এতিয়া সমগ্ৰ বিষয়টো ৰহস্যঘন কৰি তুলিছে। উল্লেখ্য যে বৰঝাৰৰ মাইলছ ব্ৰনছন আৱাসিক বিদ্যালয়ৰ দিবা শাখাৰ মনোবিজ্ঞ ান বিষয়ৰ শিক্ষয়িত্ৰী ৰূপে কাৰ্যনিৰ্বাহ কৰা ভাৱনা শৰ্মাই যোৱা ২৮ মাৰ্চতে চাকৰিৰ পৰা ইস্তফা দিছিল। বিদ্যালয় কৰ্তৃপক্ষই সামাজিক মাধ্যমযোগে এই কথা সদৰী কৰিছে। জানিব পৰা মতে, চাকৰি এৰাৰ পিছতো মাৰ্চ মাহৰ দৰমহা তেওঁ পাবলৈ বাকী আছিল আৰু সেইখিনি অনাৰ (দহ পৃষ্ঠাত চাওক)

## সফলতাৰে ভোটগণনা সম্পন্ন কৰিবলৈ সাজু নিৰ্বাচন আয়োগ



ৰঙিলী বাৰ্ত্তাসেৱা- ৯ এপ্ৰিলত অনুষ্ঠিত হৈ যোৱা অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচনৰ ভোটগণনা প্ৰক্ৰিয়া সুচাৰু ৰূপে সম্পন্ন কৰাৰ বাবে সাজু হৈছে নিৰ্বাচন আয়োগ ।অহা ৪ মে'ত অনুষ্ঠিত হ'ব ভোটগণনা । বিধানসভা নিৰ্বাচনৰ ভোটগণনা প্ৰক্ৰিয়া সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে শনিবাৰে গুৱাহাটীৰ হোটেল ৰেডিছনব্লুত জিলা নিৰ্বাচনী বিষয়া, (দহ পৃষ্ঠাত চাওক)

## দেশখনক বাংলাদেশী অনুপ্ৰৱেশকাৰীৰ হাতত গতাই দিব নোৱাৰোঁঃ মুখ্যমন্ত্ৰী ড° শৰ্মা




ৰঙিলী বাৰ্ত্তাসেৱা- পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ সমাপ্ত হোৱাৰ লগে লগে কলকাতাত এক গুৰুত্বপূৰ্ণ সংবাদমেল সম্বোধন কৰে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। সংবাদ মেল সম্বোধন কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দাবী কৰে যে পশ্চিমবংগত এতিয়া কেৱল পৰিৱৰ্তনৰ ঢৌৱেই নহয়, বৰঞ্চ বিজেপিৰ সমৰ্থনত এক প্ৰবল ছুনামি বৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে অত্যন্ত আত্মবিশ্বাসেৰে ঘোষণা কৰে যে প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বিশ্লেষণ অনুসৰি বিজেপিয়ে ইতিমধ্যে ১১০ খন আসনত বিজয় সাব্যস্ত কৰাটো নিশ্চিত হৈ পৰিছে। আনহাতে দ্ৰুতগতিত সলনি হোৱা জনগাঁথনিৰ ওপৰত আলোকপাত কৰি ড° শৰ্মাই এক উদ্বেগজনক ভৱিষ্যদ্বাণী কৰি কয় যে যি ( দুই পৃষ্ঠাত চাওক)

## গুৱাহাটীৰ মঠঘৰীয়াত ভয়ংকৰ পথ দুৰ্ঘটনা




ৰঙিলী বাৰ্ত্তাসেৱা- দেওবাৰে পুৱতি নিশা গুৱাহাটীৰ মঠঘৰীয়াত এক ভয়ংকৰ দুৰ্ঘটনা সংঘটিত হয়। এখন তীব্ৰবেগী ছুইফট বাহনে ৰৈ থকা এখন ট্ৰাকত খুন্দা মৰাৰ ফলত তিনিগৰাকী যুৱতীয়ে প্ৰাণ হেৰুৱায়। মঠঘৰীয়াৰ গে'ট হাস্পতালৰ সমীপত পথৰ দাঁতিত ৰৈ থকা এখন ট্ৰাকত খুন্দা মাৰে গীতানগৰ দিশৰ পৰা তীব্ৰ বেগত আহি থকা AS 01 GP 0562 (চাৰিপৃষ্ঠাত চাওক)

# দেশখনক বাংলাদেশী অনুপ্ৰৱেশকাৰীৰ

হাৰত অনুপ্ৰৱেশ চলিছে, তাৰ ফলস্বৰূপে আগন্তুক ২০ বছৰৰ ভিতৰত অসম আৰু পশ্চিমবংগত হিন্দুসকল সংখ্যাত কমি যাব আৰু সংখ্যাগৰিষ্ঠতা হেৰুৱাব। সংবাদমেলত চুবুৰীয়া বাংলাদেশৰ পৰা চলি থকা অবাধ অনুপ্ৰৱেশক লৈ শংকা প্ৰকাশ কৰাৰ লগতে এইক্ষেত্ৰত পশ্চিমবংগ সীমান্তৰে হৈ থকা অনুপ্ৰৱেশক লৈও উদ্বেগ প্ৰকাশ কৰে। বিশেষকৈ পশ্চিমবংগৰ মুখ্যমন্ত্ৰী তথা তৃণমূল কংগ্ৰেছ (টিএমচি)ৰ মুৰব্বী মমতা বেনাৰ্জীৰ বাংলাদেশীপ্ৰীতিৰ ফলতে এতিয়া সমগ্ৰ বংগ অনুপ্ৰৱেশকাৰীৰে ভৰি পৰা বুলি অভিযোগ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই এক সংবাদ মেলত কয়- বাংলাদেশ সীমান্তক স্পৰ্শ কৰি থকা একমাত্ৰ পশ্চিমবংগই সীমান্তত ফেঞ্চিং নিৰ্মাণৰ বাবে কেন্দ্ৰীয় চৰকাৰক সহযোগ কৰা নাই। পশ্চিমবংগৰ টিএমচি চৰকাৰে সীমান্তত ফেঞ্চিং নিৰ্মাণৰ বাবে বিএছএফক ভূমি আবণ্টন নকৰি তেওঁলোকৰ বাংলাদেশীপ্ৰীতি স্পষ্ট কৰি দিছে। তেওঁ কয়- কলকাতা উচ্চ ন্যায়ালয়ে এই বিষয়টোক লৈ টিএমচি চৰকাৰক ভূমি আবণ্টনৰ বাবে নিৰ্দেশ দিয়াৰ লগতে ২৭ জানুৱাৰীত কলকাতা উচ্চন্যায়ালয়ে বিএছএফক ভূমি আবণ্টনৰ বাবে এক নিৰ্দেশ জাৰি কৰাৰ পাছতো বিষয়টোত গুৰুত্ব নিদিয়াত ন্যায়ালয়ে পুনৰ চৰকাৰৰ ওপৰত জৰিমনাও বিহিছিল। এই চৰকাৰখনৰ কাৰ্যকালত ন্যায়পালিকাৰ পৰা প্ৰশাসনিক স্তৰলৈ যি হাৰত উলংঘন চলিছে, সেয়া অতি দুৰ্ভাগ্যজনক। ভাৰত চৰকাৰে বাংলাদেশত অস্থিৰ হোৱা পৰিৱেশৰ প্ৰতি লক্ষ্য ৰাখি সীমান্ত ছীল কৰাৰ যি পদক্ষেপ গ্ৰহণ কৰিছে, এই পদক্ষেপকো টিএমচি চৰকাৰে নস্যাৎ কৰি আহিছে। দৰাচলতে টিএমচি চৰকাৰখনে এক দেশদ্ৰোহী কাম কৰি আছে। আমি কেতিয়াও দেশখনক বাংলাদেশী অনুপ্ৰৱেশকাৰীৰ হাতত গতাই দিব নোৱাৰোঁ। বাংলাদেশী মুছলমান যিধৰণে পশ্চিমবংগৰে অনুপ্ৰৱেশ কৰি আছে, এই সমস্যাটো বংগৰ সমস্যা নহয়। বংগক অনুপ্ৰৱেশৰ কৰিড'ৰ কৰিছে বাংলাদেশীয়ে। এই কৰিড'ৰৰ জৰিয়তে বাংলাদেশীয়ে অসমকে ধৰি অন্য ৰাজ্যত প্ৰৱেশ কৰে। অসমৰ পৰা বাংলাদেশীক বিতাড়ন কৰাৰ পাছতো এই লোকসকল আহি পুনৰ পশ্চিমবংগত থিতাপি লয়। পৰিস্থিতি এনে পৰ্যায়ত থাকিলে অহা ২০ বছৰত অসম আৰু পশ্চিমবংগৰ কোনো অস্তিত্বই নাথাকিব। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- পশ্চিমবংগৰ নিৰ্বাচনৰ প্ৰতি সমগ্ৰ দেশে লক্ষ্য ৰাখিছে। নিৰ্বাচন পশ্চিমবংগত যদিও ইয়াৰ প্ৰভাৱ সমগ্ৰ দেশতে পৰিব। ইয়াৰ প্ৰভাৱ পৰিব পূব ভাৰত আৰু উত্তৰ-পূব ভাৰতত। গতিকে ভাৰত-বাংলাদেশ সীমান্ত সুৰক্ষিত কৰি ৰখাৰ স্বাৰ্থত এই নিৰ্বাচনত ভোটদান কৰিব লাগিব। মুখ্যমন্ত্ৰী ড° শৰ্মাই স্পষ্ট কৰি দিয়ে- পশ্চিমবংগত বিজেপি চৰকাৰ গঠন হ'লে সীমান্তত ফেঞ্চিং দিয়াৰ বাবে বিএছএফক ভূমি আবণ্টন দিয়াৰ লগতে বাংলাদেশীৰ বিৰুদ্ধে শূন্য সহনশীলতা নীতি গ্ৰহণ কৰিব। বাংলাদেশী অনুপ্ৰৱেশকাৰীৰ বিৰুদ্ধে যুঁজ দিয়াৰ যাৰ ক্ষমতা আছে, তেনে এখন চৰকাৰকহে এইবাৰ বংগত প্ৰতিষ্ঠিত কৰাৰ প্ৰয়োজন আছে। পশ্চিমবংগ, অসম, ত্ৰিপুৰা, মেঘালয় আৰু মিজোৰাম এই পাঁচ ৰাজ্যৰ সীমান্তসমূহৰ এটাও যদি খোলা থাকে, ইয়াৰ প্ৰভাৱ দেশৰ আন ৰাজ্যসমূহত পৰিব। মুখ্যমন্ত্ৰী ড° শৰ্মাই এই প্ৰসংগত আঙুলিয়াই দিয় কয়- মালদাহ, মুৰ্চিদাবাদ হৈ যদি বাংলাদেশীৰ অনুপ্ৰবেশ ঘটে, ইয়াৰ প্ৰভাৱ পশ্চিমবংগত সীমিত হৈ নাথাকে। বিহাৰ, ঝাৰখণ্ড আৰু উত্তৰ-পূবৰ ৰাজ্যসমূহ প্ৰভাৱিত হ'ব। বৰ্তমান অসমকে ধৰি উত্তৰ-পূবৰ ৰাজ্যসমূহত যি জনগাঁথনিৰ পৰিৱৰ্তন হৈছে সেয়া যথেষ্ট ক্ষিপ্ৰগতিত হৈছে। অসমত প্ৰায় ৪০ শতাংশলৈ বৃদ্ধি পাইছে মুছলমান জনসংখ্যা। পশ্চিমবংগই ইতিমধ্যে ৩০ শতাংশ যি বেঞ্চমাৰ্ক সেয়া অতিক্ৰম কৰিছে মুছলমান জনসংখ্যাৰ ক্ষেত্ৰত। তেওঁ কয়- সীমান্ত সুৰক্ষাৰ ক্ষেত্ৰত অসম আৰু ত্ৰিপুৰা চৰকাৰে আন্তঃৰাষ্ট্ৰীয় সমান্তত বেৰ নিৰ্মাণৰ বাবে ভাৰত চৰকাৰক প্ৰয়োজনীয় ভূমি প্ৰদান কৰিছে। একমাত্ৰ পশ্চিমবংগৰ বাবে সীমান্তত এশ শতাংশ বেৰ নিৰ্মাণ হোৱা নাই। মমতা বেনাৰ্জীক উদ্দেশ্যি মুখ্যমন্ত্ৰীৰ মন্তব্য- ৰাজনৈতিক দৃষ্টিৰে কেন্দ্ৰীয় চৰকাৰৰ লগত মমতা বেনাৰ্জীয়ে প্ৰতিটো ইছ্যুত যুদ্ধ কৰক, কিন্তু দেশৰ সুৰক্ষাৰ ক্ষেত্ৰত ভাৰত চৰকাৰক সহযোগ কৰিব লাগে। মমতা বেনাৰ্জীয়ে সীমান্ত খোলা ৰখাৰ ক্ষেত্ৰত একপ্ৰকাৰ পাপ কৰিছে। পশ্চিমবংগই ৪৫৬ কিলোমিটাৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তক চুই আছে। কিন্তু পশ্চিমবংগৰ টিএমচি চৰকাৰে ৭৭ কিলোমিটাৰ সীমান্ততহে বেৰ নিৰ্মাণৰ বাবে বিএছএফক ভূমিৰ আবণ্টন দিছে। গতিকে ইয়াৰ পৰা স্পষ্ট হয় পশ্চিমবংগৰ আন্তঃৰাষ্ট্ৰীয় সীমান্ত কিদৰে উন্মুক্ত হৈ আছে। মুখ্যমন্ত্ৰীয়ে পুনৰ কয়- এটা সময় আছিল সমগ্ৰ পূব ভাৰতত পশ্চিমবংগ সকলো ফালৰ পৰা এক মুখ্য ৰাজ্য হিচাপে বিবেচিত হৈছিল। কিন্তু অপশাসনৰ বশৱৰ্তী হৈ পশ্চিমবংগই সেই স্থান হেৰুৱাইছে, পৰিসংখ্যাই এই কথা স্পষ্টকৈ জনাইছে। অৰ্থনৈতিকভাৱে শক্তিশালী ৰাজ্য হিচাপে পশ্চিমবংগৰ যি নাম আছিল সেই চিনাকি এতিয়া ৰাজ্যখনে হেৰুৱাইছে। আনকি চুবুৰীয়া ওড়িশাই পশ্চিমবংগক পিছ পেলাই বহু আগবাঢ়ি গ'ল অৰ্থনৈতিকভাবে। এইধৰণে থাকিলে ২০২৭ বৰ্ষত অসমৰ জনমূৰি আয় পশ্চিমবংগতকৈ বৃদ্ধি হ'ব। ২০২৬ত যিদৰে ওড়িশাই পশ্চিমবংগক পিছলৈ ঠেলি দিছে, ২০২৭ বৰ্ষত অসমে পশ্চিমবংগক ঠেলি দিবলৈ সক্ষম হ'ব। অসমে প্ৰতিবছৰত ১৫-১৬ শতাংশকৈ বিকাশৰ হাৰত আগবঢ়াৰ পিছত পশ্চিমবংগক যে অহা দুবছৰত পিছ পেলাই দিব সেয়া স্পষ্ট। সংবাদ মেলত অসমৰ মুখ্যমন্ত্ৰীগৰাকীয়ে কয়- পশ্চিমবংগত এতিয়াও অভিযেক টেক্স চলি আছে। অসম আৰু পশ্চিমবংগত মালবাহী ট্ৰাকৰ যি অহা-যোৱা চলে এই ট্ৰাকসমূহৰ পৰা টেক্স সংগ্ৰহ কৰা হয়। যাৰ প্ৰভাৱ অসমৰ খাদ্য সামগ্ৰী তথা অন্য দ্ৰব্যৰ ওপৰত পৰে আৰু সামগ্ৰীৰ দাম বৃদ্ধি হয়। মই ট্ৰাকচালকৰ সৈতে এই বিষয়ত কথা পাতিছিলোঁ, তেওঁলোকে কোৱা মতে, শিলিগুৰিত কিবা অভিযেক টেক্স দিব লাগে। অসমলৈ যোৱা আৰু অসমৰ পৰা ওলাই অহা প্ৰতিখন ট্ৰাকৰ চালকৰ ভাষ্য অনুসৰি প্ৰতিবাৰে অহা-যোৱাত আমি অভিযেক টেক্স দিব লগা হয়। প্ৰতিখন ট্ৰাকৰ পৰা এই টেক্সৰ নামত হাজাৰ হাজাৰ টকা সংগ্ৰহ কৰা হয়। পশ্চিমবংগত বিজেপি চৰকাৰ হ'লে এই টেক্স নোহোৱা হ'ব আৰু অসমত সামগ্ৰীৰ দাম হ্ৰাস পাব। উল্লেখ্য যে অসমৰ ডিটেনচন কেম্পত বহু বাঙালী হিন্দু লোক বন্দী হৈ আছে বুলি টিএমচিয়ে কৰা অভিযোগৰ প্ৰত্যুত্তৰ দি আজি মুখ্যমন্ত্ৰী ড° শৰ্মাই সংবাদ মেলত কয়-মই অসমৰ মুখ্যমন্ত্ৰী হিচাপে ক'ব বিচাৰোঁ যে অসমৰ ডিটেনচন কেম্পত এজনো বাঙালী হিন্দু নাই। যদি এজনো বাঙালী হিন্দু ডিটেনচন কেম্পত থকাটো প্ৰমাণ কৰিব পাৰে, তেন্তে মই পদত্যাগ কৰিম।

# নিউজিলেণ্ডৰ ডাগ ব্ৰেচৱেলক দুবছৰৰ বাবে নিষিদ্ধ



ৰঙিলী বাৰ্ত্তাসেৱা- নিষিদ্ধ কোকেইন সেৱনৰ বাবে দুবছৰৰ বাবে নিষেধাজ্ঞা আৰোপ কৰা হৈছে নিউজিলেণ্ডৰ প্ৰাক্তন তাৰকা ক্ৰিকেটাৰ ডাগ ব্ৰেচৱেলক। বিগত বছৰৰ শেষৰ ফালে কাউন্টী ক্ৰিকেট খেলি থকাৰ সময়ত ব্ৰেচৱেলে নিষিদ্ধ কোকেইন সেৱন কৰিছিল। আনকি তদন্ত চলি থকাৰ সময়ত ৩৫ বছৰীয়া বলাৰগৰাকীয়ে অৱসৰো গ্ৰহণ কৰিছিল। ২৫ ছেপ্টেম্বৰত চেলমছফৰ্ডত এচে' ক্ৰিকেট ক্লাব আৰু ছমাৰছেট কাউন্টী ক্ৰিকেট ক্লাবৰ মাজত অনুষ্ঠিত খেলখনৰ সময়ত তেওঁৰ নমুনা সংগ্ৰহ কৰা হৈছিল। লণ্ডনৰ বিশ্ব এণ্টিড'পিং এজেঞ্চীৰ সৈতে জড়িত এটা পৰীক্ষাগাৰে ব্ৰেচৱেলৰ শৰীৰত কোকেইনৰ উপস্থিতি নিশ্চিত কৰিছিল। মেচখনৰ প্ৰথমদিনা ২৪ ছেপ্টেম্বৰ আৰু দ্বিতীয় দিনা ২৫ ছেপ্টেম্বৰৰ পুৱা কোকেইন ব্যৱহাৰ কৰিছিল ব্ৰেচৱেলে। কিন্তু খেলপথাৰত কোকেইন ব্যৱহাৰৰ কোনো প্ৰভাৱ পৰা নাছিল বুলি জনা যায়। ড্ৰাগ সেৱনৰ শাস্তি হিচাপে তেওঁক দুবছৰৰ বাবে নিষেধাজ্ঞা আৰোপ কৰা হৈছে। তেওঁৰ নিষেধাজ্ঞা ২০২৫ চনৰ ২৪ নৱেম্বৰৰ পৰা ২০২৭ চনৰ ২৩ নৱেম্বৰলৈকে বাহাল থাকিব। নিউজিলেণ্ডৰ হৈ ২৮ খন টেষ্ট আৰু ২১ খন এদিনীয়া মেচ খেলা ব্ৰেচৱেলে বিগত বৰ্ষৰ ডিচেম্বৰত আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল।

# লং জাম্পত স্বৰ্ণ পদক লাভ মুনমুন চেতিয়াৰ




ৰঙিলী বাৰ্ত্তাসেৱা- ক্ৰীড়াক্ষেত্ৰলৈ সুখবৰ কঢ়িয়াই আনিছে অসমৰ মুনমুন চেতিয়াই। ৰাষ্ট্ৰীয় জুনিয়ৰ ২০ বছৰ অনূৰ্ধ্ব ফেডাৰেচন এথলেটিকছ প্ৰতিযোগিতাৰ লং জাম্প ইভেণ্টত স্বৰ্ণ পদক অৰ্জন কৰিছে মুনমুন চেতিয়াই। উল্লেখ্য যে, কৰ্ণাটকৰ টুমকু ৰস্থিত মহাত্মা গান্ধী ষ্টেডিয়ামত অনুষ্ঠিত হৈছিল ২৪ সংখ্যক ৰাষ্ট্ৰীয় জুনিয়ৰ ২০ বছৰ অনূৰ্ধ্ব ফেডাৰেচন এথলেটিকছ প্ৰতিযোগিতা। এই প্ৰতিযোগিতাতে অসমৰ প্ৰতিভাৱান খেলুৱৈ মুনমুনে অংশগ্ৰহণ কৰি শ্ৰেষ্ঠত্ব প্ৰদৰ্শন কৰিবলৈ সক্ষম হয়। মহিলাৰ লং জাম্প ইভেণ্টত সোণৰ পদক অৰ্জন কৰে মুনমুনে লগতে ৬.০৩ মিটাৰ জপিয়াই এই সফলতা কঢ়িয়াই আনে। ইয়াৰ পূৰ্বে এনআইএছ প্ৰশিক্ষক উত্তম সন্দিকৈ ৰ অধীনত এথলেটিকছৰ আদি পাঠ শিকা মুনমুনে পূব মণ্ডল এথলেটিকছত ৰূপৰ পদক জয়ৰ উপৰি অসম ৰাজ্যিক প্ৰতিযোগিতাত বিগত তিনি বছৰ স্বৰ্ণজয়ী সফলতাৰ লগতে শ্ৰেষ্ঠ জাম্পাৰৰ সন্মান আৰ্জিছে। ডিব্ৰুগড় ৰংছোৱাল গাঁৱৰ বেথাৰাম আৰু ফুলমাই চেতিয়াৰ কন্যা মুনমুনে তিনিচুকীয়া ছাইৰ পিছত সম্প্ৰতি তিনিচুকীয়া এথলেটিকছ একাডেমীত শুভাকাংক্ষীৰ অনুগ্ৰহত নিয়মীয়া প্ৰশিক্ষণ গ্ৰহণৰ লগতে অনুশীলন চলাই আছে।

# গড়চুক-আজাৰাৰ বিধ্বস্ত পথত দুৰ্বিসহ যাতায়াত

ৰঙিলী বাৰ্ত্তাসেৱা- মহানগৰীৰ অন্যতম গুৰুত্বপূৰ্ণ আৰু বৰঝাৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰলৈ যোৱা বিকল্প পথ হিচাপে পৰিগণিত হোৱা গড়চুক-আজাৰা ৰাণীগেট সংযোগী পথছোৱাই সম্প্ৰতি জৰাজীৰ্ণ ৰূপ ধাৰণ কৰিছে। ইয়াৰ মাজতে ৰাষ্ট্ৰীয় ঘাইপথৰ গড়চুকৰ পৰা মাত্ৰ ২০০ মিটাৰ নিলগত পামহী কেনেলৰ ওপৰত অসম চৰকাৰৰ লোকনিৰ্মাণ পথ বিভাগে প্ৰায় দুই দশক পূৰ্বে শৰাইঘাটৰ পুৱণি দলঙৰ আৰ্হিত নিৰ্মাণ কৰা দলংখন মেৰামতিৰ নামত প্ৰায় দুমাহ ধৰি বন্ধ কৰি ৰখা হৈছে। ফলত, দীপৰ বিল হৈ আজাৰা ৰাণীগেটৰ ফালে অহা-যোৱা কৰা যান-বাহন প্ৰায় ৪ কিলোমিটাৰ ঘূৰি আহোমগাঁও, গাৰোঘুলি, বেতকুছি হৈ ৰাষ্ট্ৰীয় ঘাইপথেৰে অহা-যোৱা কৰিব লগা হৈছে। ইফালে, গড়চুক-আজাৰা ৰাণীগেট সংযোগী প্ৰায় ১৪ কিলোমিটাৰ দৈৰ্ঘৰ পথছোৱাৰ দুয়োফালে পানী পৰিবাহী নলা নিৰ্মাণ নকৰাৰ ফলত আবদ্ধ পানীসমূহ (দহ পৃষ্ঠাত চাওক)

# অভি-নীলৰ হত্যাকাণ্ডৰ ২০ হত্যাকাৰীক যাৱজ্জীৱন কাৰাদণ্ড




ৰঙিলী বাৰ্তাসেৱা- সমগ্ৰ দেশ জোকাৰি যোৱা অভি-নীল হত্যাকাণ্ডৰ সুদীৰ্ঘ প্ৰায় আঠ বছৰৰ অন্তত হত্যাকাণ্ডত জড়িত ২০ গৰাকী নৰপিশাচৰ বিৰুদ্ধে নগাঁও জিলা সত্ৰ ন্যায়াধীশৰ আদালতে শাস্তি ঘোষণা কৰে। ছেছন্ (টি-১)৫৩ (এন)/ ১৮ নম্বৰৰ গোচৰটোৰ বিচাৰ প্ৰক্ৰিয়াৰ সামৰণি পেলাই নগাঁও জিলা সত্ৰ ন্যায়াধীশ দিব্যজ্যোতি মহন্তই দোষী সাব্যস্ত হোৱা হত্যাকাৰী ২০ নৰপিশাচক যাৱজ্জীৱন কাৰাদণ্ডৰ হুকুম দিয়ে। লগতে প্ৰত্যেককে ২০ হাজাৰ টকাকৈ জৰিমনা বিহা হৈছে। শাস্তি ঘোষণা কৰাৰ পূৰ্বে আদালতৰ মজিয়াত বাদী আৰু বিবাদী উভয় পক্ষৰ মাজত শাস্তি সম্পৰ্কত যুক্তি-তৰ্ক হয়। আদালতত অভি-নীলৰ পৰিয়ালৰ হৈ জ্যেষ্ঠ অধিবক্তা বিজন মহাজন আৰু চৰকাৰী পক্ষৰ হৈ অধিবক্তা জিয়াউল কামাৰে যুক্তি প্ৰদৰ্শন কৰে। ইয়াৰ বিপৰীতে অভিযুক্তসকলক আদালতত প্ৰতিনিধিত্ব কৰিছিল অধিবক্তা মানস শৰণীয়াই। বৰ্বৰোচিত হত্যাকাণ্ডটোৰ সৈতে মুঠ ৪৮জন অভিযুক্তৰ নাম সাঙোৰ খাইছিল। কিন্তু পৰৱৰ্তী সময়ত আদালতে তিনিজনক নাবালক ঘোষণা কৰে। এনে অৱস্থাত বাকী ৪৫জন অভিযুক্তৰ বিৰুদ্ধে আদালতত বিচাৰ প্ৰক্ৰিয়া চলি আছিল। মুঠ ৭১জন লোকৰ সাক্ষ্যগ্ৰহণ আৰু প্ৰায় ৮ বছৰ বিচাৰ প্ৰক্ৰিয়াৰ অন্তত যোৱা ২০ এপ্ৰিলত আদালতে চূড়ান্ত ৰায় দিয়ে। য'ত ২০ জনক দোষী সাব্যস্ত কৰাৰ বিপৰীতে ২৫ জনক দোষমুক্ত ঘোষণা কৰা হৈছিল। সেইদিনাই নিৰ্ধাৰণ কৰা দিন অনুসৰি দোষী সাব্যস্ত হোৱা এই ২০জনৰ ক্ষেত্ৰত নগাঁও জিলা সত্ৰ ন্যায়াধীশ দিব্যজ্যোতি মহন্তই শুকুৰবাৰে শাস্তি ঘোষণা কৰে। আদালতে যাৱজ্জীৱন কাৰাদণ্ড বিহা এই ২০ নৰপিশাচ হ'ল- বিশ্বৰাম স্বৰ্গীয়াৰী, পানথেং বসুমতাৰী, আলফাজছ ইমুং, ইনোচিন ইংতি, ৰায়কম টিমুং, ৰত্নেশ্বৰ টেৰাং, ফুকন লেখটে, আনচ টিমুং, ধুনু মেচ, প্ৰেছ টিমুং, ৰূপছিং ক্ৰ', বাবুছিং ক্ৰ', বিক্ৰম হাঙ্গে, চিকাৰী ৰংপী, বাবু ৰংপী, বিদ্যাছিং ৰংপি, মেনছিং ক্ৰ', দিব্যজ্যোতি বসুমতাৰী, ৰাৰিছ ৰংপি আৰু গুণ্ডা মেচ। আদালতে শাস্তি বিহাৰ পিছতে চৰকাৰী অধিবক্তা জিয়াউল কামাৰে নিজ প্ৰতিক্ৰিয়া ব্যক্ত কৰি সংবাদ মাধ্যমৰ আগত কয় যে ৰায়দানক লৈ মই সুখী হোৱা নাই। এই সন্দৰ্ভত ৰাজ্য চৰকাৰৰ আইন কোষলৈ এখন পত্ৰ প্ৰেৰণ কৰা হ'ব। তেওঁলোকৰ ওপৰতে গোচৰটো আগবাই নিয়াটো নিৰ্ভৰ কৰিব। ইয়াৰ বিপৰীতে অভিযুক্ত পক্ষৰ অধিবক্তা মানস শৰণীয়াই কয় যে গোচৰটোত ২০জনক যাৱজ্জীৱন কাৰাদণ্ড বিহা হৈছে। কিন্তু ইয়াত ভাৰতীয় দণ্ডবিধিৰ ৩০২ নং ধাৰা প্ৰযোজ্য হ'ব নালাগে। ৩০৪ (পাৰ্ট-২) হে প্ৰযোজ্য হ'ব লাগিব। এইৰায়দানৰ

( পাঁচ পৃষ্ঠাত চাওক)

## ভাৰত চৰকাৰৰ সাংস্কৃতিক ললিত কলা বিভাগৰ পৰা বৃত্তি লাভ আত্ৰেয়ী বৰঠাকুৰৰ



ৰঙিলী বাৰ্তাসেৱা- ভাৰত চৰকাৰৰ সংস্কৃতি মন্ত্ৰালয়ৰ অধীনৰ সংস্কৃতিক সম্পদ আৰু প্ৰশিক্ষণ কেন্দ্ৰৰ পৰা ললিত কলা বিভাগত ২০২৫-২৬ বৰ্ষৰ সন্মানীয় বৃত্তি পাবলৈ সক্ষম হৈছে আত্ৰেয়ী বৰঠাকুৰে। আত্ৰেয়ী বৰঠাকুৰ শিৱসাগৰৰ নামতি ব্ৰাহ্মণ গাওঁ নিবাসী ৰূপজ্যোতি বৰঠাকুৰ আৰু মিনতী বৰঠাকুৰৰ একমাত্ৰ কন্যা। আত্ৰেয়ীয়ে বৰ্তমান ডিব্ৰুগড়ৰ খলিহামাৰীত অৱস্থিত শিক্ষানুষ্ঠান স্কুল অৱ ফাইন আৰ্টৰ গুৰু তথা অধ্যক্ষা সুতাপা চৌধুৰীৰ তত্ত্বাৱধানত শিক্ষা গ্ৰহণ কৰি এই সাফল্য অৰ্জন কৰিবলৈ সক্ষম হৈছে। বৰ্তমানে ডিব্ৰুগড় লিট্‌ল ফ্লাৱাৰ হায়াৰ চেকেণ্ডেৰী স্কুলৰ ছাত্ৰী আত্ৰেয়ী বৰঠাকুৰৰ এই সাফল্যত আৰ্ট স্কুলৰ শিক্ষা গুৰুৰ লগতে সকলোৱে আনন্দ প্ৰকাশ কৰে।

## আদালতৰ ৰায়ক লৈ অসন্তুষ্ট অভি নীলৰ পিতৃ

ৰঙিলী বাৰ্তাসেৱা- ২০১৮ চনৰ ৮ জুনত কাৰ্বি আংলং জিলাৰ সদৰ ডকমকাত নৃশংসভাৱে হত্যা কৰা গুৱাহাটীৰ দুই যুৱক অভিজিৎ নাথ আৰু নিলোৎপল দাসৰ হত্যাকাৰীক যাৱজ্জীৱন কাৰাদণ্ডৰ ৰায় প্ৰদানক লৈ অসন্তুষ্টি প্ৰকাশ কৰিলে দুই দুৰ্ভগীয়া পিতৃয়ে। এই সন্দৰ্ভত অভিৰ পিতৃ অজিত নাথ আৰু নীলৰ পিতৃ গোপাল চন্দ্ৰ দাসে প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। বিশেষকৈ হত্যাকাণ্ডটোৰ মূল ষড়যন্ত্ৰকাৰীক মৃত্যুদণ্ড নিদিয়া আৰু গোচৰটো ৰেয়াৰেষ্ট অৰদ্য ৰেয়াৰ হিচাপে গণ্য নকৰাত আক্ষেপ প্ৰকাশ কৰে অভিৰ পিতৃ অজিত নাথে। ৰায়ক লৈ অভিজিৎ নাথৰ পিতৃ অজিত নাথে কয়, "গোচৰটোৰ ৩০২ ধাৰাত দুটাই শাস্তি আছিল, এটা হ'ল যাৱজ্জীৱন কাৰাদণ্ড আৰু আনটো মৃত্যুদণ্ড । আমাৰ অধিবক্তাই আদালতত দুজনৰ মৃত্যুদণ্ড বিচাৰিছিল; কিন্তু ন্যায়ালয়ে গ্ৰাহ্য নকৰিলে । অলফাজুজ তিমুং আৰু ৰূপছিং ক্ৰৰ মৃত্যুদণ্ড হোৱাটো আমিও বিচাৰিছিলো। ইয়াৰে অলফাজুজ তিমুঙে সমগ্ৰ ঘটনা অৰ্থাৎ হত্যাকাণ্ড সংঘটিত কৰাৰ বাবে সকলোকে সংঘবদ্ধ কৰিছিল আৰু ৰূপছিং ক্ৰ'ই প্ৰকাণ্ড পাথৰেৰে আঘাত কৰি অহা অভি-নীলক হত্যা কৰিছিল । হত্যাৰ নৃশংসতাৰ ওপৰত ভিত্তি কৰি এই দুজনক মৃত্যুদণ্ড দিব লাগিছিল। তথাপি ২০ জনক কাৰাদণ্ডৰ ৰায়ে দুখৰ মাজত সুখৰ ৰেঙনি আহিছে ।" অভি নীলৰ হত্যাকাৰীক দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰিব লাগিছিল বুলি উল্লেখ কৰি নিলোৎপল দাসৰ পিতৃ গোপাল চন্দ্ৰ দাসে কয়, "২০ জন দোষী আটাইকেইজনকে একেধৰণৰ শাস্তি প্ৰদান কৰিলে। সমগ্ৰ ঘটনাৰ ষড়যন্ত্ৰ কৰা দুই

( পাঁচ পৃষ্ঠাত চাওক)

## নগাঁৱৰ মৰিকলঙত লোমহৰ্ষক ডকাইতি




ৰঙিলী বাৰ্তাসেৱা- নগাঁও চহৰৰ মৰিকলঙত এক চাঞ্চল্যকৰ ডকাইতিৰ ঘটনা। চিকিৎসক ডাঃ ৰঞ্জিত শইকীয়াৰ ঘৰত নিশা ডকাইতি। ডকাইতৰ আক্ৰমণত ডাঃ ৰঞ্জিত শইকীয়া আৰু তেওঁৰ পত্নী ৰূপৰেখা শইকীয়া গুৰুতৰভাৱে আহত হয়। মৰিকলং আৰক্ষী চকীৰ পৰা কিছু নিলগৰ মৰিকলং সেউজ নগৰৰ শইকীয়া দম্পতীৰ বাসগৃহত ৬-৭ জনীয়া মুখত ক'লা কাপোৰ পিন্ধি অহা ডকাইটৰ দলে দুৱাৰ ভাঙি ঘৰত প্ৰৱেশ কৰি তাণ্ডৱ চলায়। এই ঘটনাই সমগ্ৰ অঞ্চলটোৰ লগতে নগাঁৱত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। স্থানীয় লোকে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি আজি পুৱতি নিশা প্ৰায় ৩ বজাত ডকাইতৰ আক্ৰমণত তেজেৰে লুটুৰি-পুতুৰি হৈ চিকিৎসক ডাঃ শইকীয়াই তেওঁৰ ঘৰত ভাৰাতীয়া হিচাপে থকা আৰু ওচৰতে থকা সম্পৰ্কীয় লোকৰ ঘৰত কলিং বেল বজোৱাৰ লগে লগে তেওঁলোক বাহিৰলৈ আহি ডাঃ শইকীয়াৰ অৱস্থা দেখি হতভম্ব হৈ পৰে। গুৰুতৰভাৱে আহত চিকিৎসক গৰাকীয়ে সেহাই সেহাই ঘটনাৰ বিষয়ে বিৱৰি কয়। লগে লগে তেওঁলোকৰ লগতে স্থানীয় লোক ঘটনাস্থলীত উপস্থিত হয়। ঘৰৰ ভিতৰৰ বিছনাত চিকিৎসকগৰাকীৰ পত্নী ৰূপ-ৰেখা শইকীয়াক সংকটজনক অৱস্থাত পৰি থকা প্ৰত্যক্ষ কৰে। লগে লগে ৰাইজে চিকিৎসক গৰাকী আৰু তেওঁৰ পত্নীক নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়লৈ আনে যদিও অৱস্থা সংকটজনক হোৱাত দুয়োকে নগাঁৱৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰায়। চিকিৎসালয়খনত জৰুৰীকালীন চিকিৎসা প্ৰদান কৰাৰ পিছত উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰে। দুয়ো গুৱাহাটীৰ চিকিৎসালয়ৰ আইচিইউত ভৰ্তি হৈ আছে। ৰূপৰেখা শইকীয়াৰ অৱস্থা সংকটজনক। স্থানীয় লোকে সদৰী কৰা মতে চিকিৎসক পত্নীৰ বিছনাৰ কাষত এডাল ৰড পৰি আছিল। সেয়ে স্থানীয় ৰাইজে চিকিৎসক দম্পতীক ৰডেৰে আক্ৰমণ কৰি ঘৰখনত লুটপাত চলোৱা বুলি নিশ্চিত হৈছে। ঘৰখনত ৮-৯ বছৰীয়া শিশু আছিল যদিও শিশুটোক ডকাইতৰ দলে আক্ৰমণ কৰা নাছিল। ডকাইতৰ দলে ঘৰখনৰ পৰা নগদ ধন, সোণৰ অলংকাৰ আদি লুট কৰি নিয়ে। কিমান পৰিমাণৰ ধন আৰু অলংকাৰ লুট কৰি নিলে সেয়া জানিব পৰা নাই। ঘটনাৰ খবৰ পোৱাৰ লগে লগে ঘটনাস্থলীত নগাঁৱৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকসহ আৰক্ষীৰ দল উপস্থিত হৈ পৰিস্থিতিৰ বুজ লোৱাৰ লগতে তদন্ত আৰম্ভ কৰে। আৰক্ষীয়ে স্নিফাৰ ডগৰ সহায়ত অনুসন্ধান চলায়। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে জোৰদাৰ তদন্ত অব্যাহত ৰাখিছে।

# ৪ মে’ৰ পাছত অনুপ্ৰৱেশকাৰীক ওভতাই পঠিওৱা হ’বঃমুখ্যমন্ত্ৰী ড° শৰ্মা



ৰঙিলী বাৰ্তাসেৱা- পশ্চিম বংগৰ দক্ষিণ উলুবেড়িয়া বিধানসভা সমষ্টিৰ লগতে হৰিণঘাট বিধানসভা সমষ্টিত দুখনকৈ জনসভা আৰু বনগাঁও বিধানসভা সমষ্টিত এখন ৰ’ড শ্ব’ত অংশ লৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তৃণমূল কংগ্ৰেছক তীব্ৰ ভাষাৰে সমালোচনা কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- আই লক্ষ্মীৰ নামত পশ্চিমবংগত টিএমচিয়ে যি আঁচনি গ্ৰহণ কৰিছে তাৰ পৰা না কৃষক উপকৃত হৈছে, না শিক্ষিত যুৱ সমাজে সংস্থাপন লাভ কৰিছে। এই আঁচনিৰ দ্বাৰা মা-ভগ্নীয়েও ঘৰ-সংসাৰ চলাবলৈ সুবিধা পোৱা নাই। মুখ্যমন্ত্ৰীয়ে মমতা বেনাৰ্জীক উদ্দেশ্যি পুনৰ কয়- দিদি আপুনি আল্লাৰ নাম লোৱাত কোনো আপত্তি নাই। কিন্তু আল্লাৰ লগতে ঈশ্বৰো থাকিব লাগিব। পশ্চিমবংগত আজি কৃষকক প্ৰতি কুইণ্টল ধানৰ বাবদ ন্যূনতম সমৰ্থিত মূল্য মাত্ৰ ২, ৩৫০ টকা দিয়া হয়। কিন্তু বিজেপি শাসিত ছত্তিশগড় আৰু মধ্যপ্ৰদেশত ৩, ১০০ টকা দিয়া হয়। সেয়েহে পশ্চিমবংগত মা লক্ষ্মীৰ আগমন বিজেপিয়ে লৈ আহিব। বিজেপি চৰকাৰ আহিলে ঘৰে ঘৰে সুখ-সমৃদ্ধিৰ মা লক্ষ্মীৰ আগমন হ’ব। ৰাজ্যখনৰ অনুপ্ৰৱেশকাৰীৰ ইছ্যু উত্থাপন কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই নিৰ্বাচনী সভাত (দহ পৃষ্ঠাত চাওক)

# আপ এৰি বিজেপিত যোগদান আপ নেতা ৰাঘৱ চাড্ডাৰ




ৰঙিলী বাৰ্তাসেৱা- আম আদমি পাৰ্টী ত্যাগ কৰিলে ৰাজ্যসভাৰ সাংসদ ৰাঘৱ চাড্ডাই। সদনত প্ৰায়ে দপদপাই থকা সাংসদ ৰাঘৱ চাড্ডাৰ দলত্যাগে দেশৰ ৰাজনীতিত তীব্ৰ প্ৰতিক্ৰিয়া আৰম্ভ কৰিছে। কেৱল ৰাঘৱ চাড্ডাই নহয় আপৰ আন ৬ সাংসদ ক্ৰমে ডঃ অশোক মিট্টল, সন্দীপ পাঠক, হৰভজন সিং, ৰাজিন্দৰ গুপ্তা, বিক্ৰম সাহানী আৰু স্বাতী মালিৱালেও দলত্যাগৰ ঘোষণা কৰিছে । ৰাঘৱ চাড্ডাই দল ত্যাগ কৰাৰ কাৰণ বৰ্ণনা কৰিবলৈ গৈ কয়, ‘আমাৰ তেজ ঘাম দি আপক লালন-পালন কৰিছোঁ, (দহ পৃষ্ঠাত চাওক)

# পশ্চিমবংগ আৰু তামিলনাডুত অভিলেখসংখ্যক ভোটদান



ৰঙিলী বাৰ্তাসেৱা- পশ্চিমবংগত নিৰ্বাচনী সূচী অনুসৰি দুটা পৰ্যায়ত অনুষ্ঠিত হ’বলগীয়া ৰাজ্যিক বিধানসভা নিৰ্বাচনৰ প্ৰথমটো পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হয়। পশ্চিমবংগ বিধানসভাৰ মুঠ ১৫২টা সমষ্টিত প্ৰথমটো পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হয়। এই ভোটদান পৰ্বত অভিলেখসংখ্যক ভোটদান হয়। পূৰ্বৰ সকলো অভিলেখ ভংগ কৰি ৰাজ্যখনত ৯২.৫৯ শতাংশ ভোটদান হয় পশ্চিমবংগত। ৰাজ্যখনত এইবাৰৰ নিৰ্বাচনত মুখ্যতঃ ভোটাৰ তালিকাৰ সংশোধনক লৈ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জী নেতৃত্বাধীন তৃণমূল কংগ্ৰেছ আৰু বিৰোধী বিজেপিৰ সৈতে নিৰ্বাচনী প্ৰতিদ্বন্দ্বিতা হয়। ভোটগ্ৰহণ পৰ্ব সামগ্ৰিকভাৱে শান্তিপূৰ্ণ আছিল যদিও তাৰ মাজতে দুই-এটা বিক্ষিপ্ত ঘটনা ঘটাৰ বাতৰিও পোৱা গৈছে। নিৰ্বাচনী প্ৰস্তুতিৰ মাজতে মঙলবাৰে নিশা মুৰ্চিদাবাদ জিলাৰ নাওডাত ক্ৰুড বোমা নিক্ষেপৰ ঘটনা সংঘটিত হয়। ভোটগ্ৰহণৰ পূৰ্বে সংঘটিত এই ঘটনাই অঞ্চলটোত আতংকৰ সৃষ্টি কৰে। এই ঘটনাত এগৰাকী মহিলা আহত হয়। নিৰ্বাচনৰ ভোটগ্ৰহণ পৰ্ব চলি থকাৰ সময়তে মুৰ্চিদাবাদৰ ভৰতপুৰ আৰু বহৰমপুৰত অনিয়ম সংঘটিত হয় বুলি অভিযোগ কৰে কংগ্ৰেছে। বুথ দখলৰ পৰা আৰম্ভ (নপৃষ্ঠাত চাওক)

# কংগ্ৰেছ নেতা পৱন খেড়াৰ জামিন নাকচ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ



ৰঙিলী বাৰ্তাসেৱা- পুনৰ আদালতত মুখথেকেচা খালে কংগ্ৰেছ নেতা পৱন খেড়াই। কংগ্ৰেছ নেতা পৱন খেড়াৰ অগ্ৰিম জামিন নাকচ কৰিলে গুৱাহাটী উচ্চন্যায়ালয়ে। গুৱাহাটী উচ্চন্যায়ালয়ৰ ন্যায়াধীশ পাৰ্থিৱজ্যোতি শইকীয়াৰ আদালতে নাকচ কৰে পৱন খেড়াৰ অগ্ৰিম জামিন আবেদন। আদালতে জামিন নাকচ কৰাৰ লগে লগে এতিয়া যিকোনো মুহূৰ্ততে গ্ৰেপ্তাৰ হ’ব পাৰে পৱন খেড়া। উল্লেখযোগ্য যে, যোৱা ২১ এপ্ৰিলত অনুষ্ঠিত শুনানিত পৱন খেড়াৰ হৈ জেষ্ঠ অধিবক্তা অভিষেক মনু সিংভি, কমল নয়ন চৌধুৰীয়ে যুক্তি প্ৰদৰ্শন কৰিছিল । ইয়াৰ বিপৰীতে অসম চৰকাৰৰ মহাধিবক্তা দেৱজিৎ শইকীয়াই পৱন খেড়াৰ অগ্ৰীম জামিন আবেদনৰ তীব্ৰ বিৰোধিতা কৰে । উভয় পক্ষৰ যুক্তি শুনি আদালতে পৱন খেড়াৰ অগ্ৰীম জামিনৰ ৰায় সংৰক্ষিত ৰাখে । ইয়াৰ পিছত আদালতে শুকুৰবাৰে পুৱা ১০.৩০ বজাত গোচৰৰ ৰায়দান কৰি (নপৃষ্ঠাত চাওক)

# গুৱাহাটীৰ মঠঘৰীয়াত ভয়ংকৰ

নম্বৰৰ ছুইফট বাহনখনে। ফলত দুগৰাকী যুৱতী থিতাতে নিহত হোৱাৰ বিপৰীতে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত নিহত হয় আন এগৰাকী যুৱতীৰ। দুৰ্ঘটনা সংঘটিত হোৱাৰ পাছতেই পলায়ন কৰে বাহনখনৰ চালকজনে। সম্প্ৰতি নিহত যুৱতী কেইগৰাকীৰ নশ্বৰদেহ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ মৰ্গত ৰখা হৈছে। স্থানীয় লোকৰ মতে, পুৱা প্ৰায় ৩.৪০ বজাত সংঘটিত হৈছিল এই ভয়ংকৰ পথ দুৰ্ঘটনাটো । নিহত তিনিগৰাকী যুৱতীৰ দুগৰাকীৰ পৰিচয় উদ্ধাৰ হৈছে । এগৰাকী গোৱালপাৰা জিলাৰ কৃষ্ণাইৰ পূজা সাহা আৰু আনগৰাকী চৰাইদেউৰ আকাংক্ষা শইকীয়া। ৰয়েল গ্ল’বেল বিশ্ববিদ্যালয়ৰ কৰ্মচাৰী আছিল আকাংক্ষা। দুৰ্ঘটনাটো সংঘটিত কৰিয়ে বাহনখনৰ চালকগৰাকীয়ে পলায়ন কৰে। বৰ্তমান চালকজন পলাতক অৱস্থাত আছে যদিও আৰক্ষীয়ে চালকজনৰ সন্ধান উলিয়াবলৈ অভিযান চলাই আছে। এই ঘটনাৰ খবৰ পোৱাৰ পাছতেই মঠঘৰীয়াৰ দুৰ্ঘটনাস্থলী পৰিদৰ্শন কৰে উপ-আৰক্ষী আয়ুক্ত জয়ন্ত সাৰথি বৰাই। দুৰ্ঘটনাটো কেনেকৈ সংঘটিত হ’ল সমগ্ৰ পৰিস্থিতিৰ বুজ লয় আৰক্ষী বিষয়াগৰাকীয়ে । ইপিনে গাড়ীখনৰ মালিকৰ সন্ধান পোৱা গৈছে যদিও চালকজনক আটক কৰিব পৰা হোৱা নাই। গাড়ীখন ট্ৰেভেল এজেঞ্চীত ভাড়াত দিছিল বুলি আৰক্ষীয়ে তথ্য লাভ কৰিছে। আৰক্ষীয়ে সংবাদ মাধ্যমৰ আগত কয়, পুৱতি নিশা ৩.৪০ পথ দুৰ্ঘটনা সংঘটিত হৈছিল। খবৰ পাই আমি ঘটনাস্থলীত উপস্থিত হৈছিলোঁ। দুজনী যুৱতী থিতাতে নিহত হৈছিল যদিও আনগৰাকী যুৱতীৰ হাস্পতাললৈ নিয়াৰ পিছত মৃত্যু হয়। দুৰ্ঘটনাগ্ৰস্ত বাহনখন দেখিলেই গম পায় বাহনখন তীব্ৰ বেগত আছিল। ৰৈ থকা ট্ৰাকত পিছফালৰ পৰা খুন্দা মাৰে বাহনখনে। লখৰাৰ পৰা তিনিওজনী ছোৱালী কমেডী শ্ব’ চাবলৈ গৈছিল। আনহাতে চালকজন দুৰ্ঘটনা সংঘটিত কৰি পলায়ন কৰিছে । গাড়ীৰ মালিকৰ সৈতে আমি যোগাযোগ কৰিছিলোঁ, তেওঁ ধেমাজিত থাকে। মালিকে জনোৱা মতে গাড়ীখন তেওঁ এটা এজেঞ্চীত দিছিল। ঘটনাৰ তদন্ত চলি আছে।

# শ্ৰী শ্ৰী পোৱাভিঠা সত্ৰ



ৰঙিলী বাৰ্তাসেৱা- সত্ৰ-নামঘৰ সমূহৰ সমাজখন সু-শৃংখলভাৱে চলাই নিয়াত গুৰুত্বপূৰ্ণ ভূমিকা আছে। হাজো—ৰামদিয়াৰ শ্ৰী শ্ৰী পোৱাভিঠা সত্ৰখনত দূৰ -দূৰণিৰ পৰা ভক্তৰ সমাগম হয়। বিশেষকৈ ব’হাগৰ মাহত সত্ৰ-নামঘৰ দৰ্শন কৰা অসমীয়া সকলৰ এক পৰম্পৰা। ৪’বহাগৰ দিনা শ্ৰী শ্ৰী দামোদৰ দেৱৰ ৪২৮ সংখ্যক তিৰোভাৱ তিথি আধ্যাত্মিক ভাৱে পালন কৰে। ইমান সু-শৃংখল পবিত্ৰ অনুষ্ঠানটো ভক্তিৰ দোলেৰে বান্ধ খাই সেই গাঁওৰ আৰু ওচৰৰ পাজৰৰ লোক সকলে একত্ৰিত হৈ অনুষ্ঠিত কৰি আহিছে। এইবাৰো ৭ লাখ লাৰু বনাই প্ৰতিজন ভক্তত মাহ-প্ৰসাদৰ সৈতে আগবঢ়াইছে। এই লাৰু বনাবলৈ সত্ৰত জড়িত লোক সকলে বহুত কষ্ট কৰিব লগা হয় কিন্তু তেওঁলোকৰ মুখত প্ৰশান্তি ভৰা হাঁহিৰে ভক্তপ্ৰাণ ৰাইজক আদৰণি জনোৱাৰ লগতে মাহ-প্ৰসাদ আৰু চাউলৰ পিঠাগুৰি গুৰৰ সংমিশ্ৰণ কৰি তৈয়াৰ কৰা অমৃত সদৃশ লাৰু সকলোৰে হাতত তুলি দিয়ে।

# পঞ্জাৱ আৰক্ষীয়ে পুনৰ গ্ৰেপ্তাৰ কৰে অমৃতপাল সিঙক



ৰঙিলী বাৰ্ত্তাসেৱা- তিনি বছৰীয়া কাৰাবন্দিত্বৰ পৰা মুকলি আকাশৰ তললৈ ওলাই অহাৰ পথ প্ৰশস্ত হোৱাৰ সময়তে পুনৰ আৰক্ষীৰ জালত ৰাৰিছ পঞ্জাৱ দে'ৰ মুৰববী তথা সাংসদ অমৃতপাল সিং। মাজনিশা ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত তিনি বছৰীয়া বন্দিত্বৰ ম্যাদৰ অন্ত পৰিছিল যদিও মাত্ৰ কেইটামান ঘণ্টাৰ পাছতে পঞ্জাৱ আৰক্ষীয়ে পুনৰ গ্ৰেপ্তাৰ কৰে অমৃতপাল সিঙক। ২০২৩ চনৰ অজনালা থানা আক্ৰমণৰ গোচৰত গ্ৰেপ্তাৰ কৰি পঞ্জাৱ আৰক্ষীয়ে দুদিনৰ জিম্মাত গ্ৰহণ কৰে সাংসদ সিঙক। ইফালে, অমৃতপাল সিঙক গ্ৰেপ্তাৰৰ পিছতে ডিব্ৰুগড় মহানগৰত কটকটীয়া নিৰাপত্তাৰ বেষ্টনী গঢ়ি তোলা হৈছিল। কেন্দ্ৰীয় কাৰাগাৰৰ সমীপৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা মানকটা পথ আৰু থানা চাৰিআলিৰ পৰা আৰকেবি পথ হৈ ডিব্ৰুগড় সদৰ থানালৈকে গ্ৰীন কৰিডৰৰ ব্যৱস্থা কৰা হৈছিল। পঞ্জাৱ আৰক্ষী আৰু অসম আৰক্ষীৰ ব্লেক কমাণ্ডোৰে গঠিত ৰৰখন বাহনৰ এটা কনভয়ৰ জৰিয়তে সাংসদ অমৃতপাল সিঙক কেন্দ্ৰীয় কাৰাগাৰৰ পৰা প্ৰায় ৮০০ মিটাৰ দূৰত্বত অৱস্থিত ডিব্ৰুগড় সদৰ থানালৈ ব্যাপক তথা কঠোৰ নিৰাপত্তা ব্যৱস্থাৰ মাজেৰে লৈ যোৱা হয়। পঞ্জাৱ আৰক্ষীৰ এজন উপ-আৰক্ষী অধীক্ষক পৰ্যায়ৰ বিষয়াৰ দলটোক সহযোগিতা আগবঢ়াইছিল ডিব্ৰুগড় জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক অতুল কুমাৰে। আনহাতে, অমৃতপাল সিঙক গ্ৰেপ্তাৰৰ পাছতে ডিব্ৰুগড় সদৰ থানাৰ পৰাই ভাৰ্চুৱেলী আদালতত হাজিৰ কৰোৱা হয়। সম্প্ৰতি ডিব্ৰুগড় সদৰ থানাত কেইবাতৰপীয়া নিৰাপত্তা বেষ্টনীৰ মাজত ৰাখি পঞ্জাৱ আৰক্ষীয়ে অমৃতপাল সিঙক চলাব জেৰা। দুদিনীয়া আৰক্ষীৰ জিম্মাৰ ম্যাদ শেষ হোৱাৰ পাছত পুনৰ ( নপৃষ্ঠাত চাওক)

# মল্লিকাৰ্জুন খাৰ্গেলৈ জাননী নিৰ্বাচন আয়োগৰ



ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰধানমন্ত্ৰী মোদীক সন্ত্ৰাসবাদী আখ্যা দি নিৰ্বাচন আয়োগৰ ৰোষত পৰিছে কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে। কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেলৈ জাননী পঠিয়াইছে নিৰ্বাচন আয়োগে। কংগ্ৰেছ সভাপতিগৰাকীৰ মন্তব্যক 'নিৰ্বাচনী আচৰণবিধিৰ উলংঘন' আখ্যা দি ২৪ ঘণ্টাৰ ভিতৰত তেওঁৰ পৰা উত্তৰ বিচাৰিছে আয়োগে। বুধবাৰে খাৰ্গেৰ বিৰুদ্ধে পদক্ষেপ গ্ৰহণ কৰাৰ বাবে নিৰ্বাচন আয়োগৰ দ্বাৰস্থ হৈছিল বিজেপিৰ এটা প্ৰতিনিধি দল। দলটোত আছিল কেন্দ্ৰীয় মন্ত্ৰী নিৰ্মলা সীতাৰমণ, কিৰেণ ৰিজিজু, অৰ্জুনৰাম মেঘৱাল আৰু অন্যান্য নেতৃবৃন্দ। প্ৰতিনিধি দলটোৰ অভিযোগৰ কেইঘণ্টামানৰ ভিতৰত কংগ্ৰেছ সভাপতিগৰাকীলৈ জাননী পঠিয়ায় নিৰ্বাচন আয়োগে। সম্প্ৰতি নিৰ্বাচনী প্ৰচাৰত তামিলনাডুত আছে খাৰ্গে। মঙলবাৰে এখন সংবাদ মেলত এআইএডিএমকে-বিজেপি মিত্ৰজোঁট সম্পৰ্কে ক'বলৈ গৈ ( নপৃষ্ঠাত চাওক)


# অভি-নীলৰ হত্যাকাণ্ডৰ ২০

বিৰুদ্ধে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ কাষ চপা হ'ব বুলিও অধিবক্তা মানস শৰণীয়াই সদৰী কৰে। তেওঁ কয় যে অভিযুক্তসকলৰ হত্যা কৰাৰ অভিপ্ৰায় নাছিল। মাৰিম বুলি মৰা নাছিল তেওঁলোকে। দোষী সাব্যস্ত হোৱাসকলে প্ৰায় ৮ বছৰ কাৰাবাস খাটিলে। গতিকে তেওঁলোকৰ জামিনৰ বাবে আবেদন জনাম। লগতে নগাঁও জিলা সত্ৰ ন্যায়াধীশৰ আদালতৰ ৰায়ৰ বিৰুদ্ধে অহা ১০-১২ দিনৰ ভিতৰত উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হ'ব বুলি তেওঁ প্ৰকাশ কৰে। উল্লেখ্য যে ২০১৮ চনৰ ৮ জুনত কাৰ্বি আংলং জিলাৰ ডকমকা আৰক্ষী থানাৰ অন্তৰ্গত পাণজুৰি গাঁৱত এদল উন্মত্ত নৰপিশাচে মৰিয়াই মৰিয়াই অতি নৃশংসভাৱে গুৱাহাটীৰ দুই প্ৰকৃতিপ্ৰেমী যুৱক অভিজিৎ নাথ আৰু নীলোৎপল দাসক হত্যা কৰিছিল। সেইদিনা তেওঁলোকে গৈছিল পাণজুৰি গাঁৱৰ নাতিদূৰৈৰ কাৰ্বি পাহাৰৰ নৈসৰ্গিক শোভা উপভোগ কৰিবলৈ। প্ৰকৃতিৰ সৌন্দৰ্য উপভোগ কৰি গুৱাহাটীলৈ ওভতাৰ পথত সোপাধৰাৰ সন্দেহত সেইদিনা সন্ধিয়া গাঁওখনৰ এদল উন্মত্ত লোকে দুয়োৰ ওপৰত জঁপিয়াই পৰে। দুয়ো নিজকে অসমীয়া বুলি পৰিচয় দিয়াৰ পিছতো দলটোৱে তেওঁলোকক ৰেহাই দিয়া নাছিল। উন্মত্ত দলটোৰ আক্ৰমণত প্ৰাণ হেৰুৱাইছিল দুই সুঠাম যুৱকে। এই নিৰ্মম হত্যাকাণ্ডৰ খবৰ বিয়পি পৰাৰ পিছতে অসমৰ লগতে দেশ-বিদেশৰ বিভিন্ন স্থানৰ জনতা প্ৰতিবাদ মুখৰ হৈ পৰে। ইয়াৰ সৈতে জড়িত দোষীক কঠোৰতকৈও কঠোৰতম শাস্তিৰ দাবী তোলে সকলোৱে। পৰৱৰ্তী সময়ত ডকমকা আৰক্ষী থানাই ঘটনা সন্দৰ্ভত এক গোচৰ ৰুজু কৰি ক্ষিপ্ৰতাৰে ৪৮জন লোকক গ্ৰেপ্তাৰ কৰি কাৰাগাৰলৈ প্ৰেৰণ কৰিছিল। সমান্তৰালভাৱে তদন্তৰ অন্তত ৮০০ পৃষ্ঠাৰ এখন অভিযোগনামা ডিফু আদালতত দাখিল কৰিছিল ডকমকা থানাৰ তদন্তকাৰী বিষয়াই। আনহাতে, অভি-নীলৰ পিতৃ মাতৃয়ে এই গোচৰটোৰ বিচাৰ প্ৰক্ৰিয়া ডিফু আদালতৰ পৰা স্থানান্তৰ কৰিবৰ বাবে গুৱাহাটী উচ্চন্যায়ালয়ত তৰা এখন লেখ আৱেদনৰ ভিত্তিত ২০১৮ চনৰ ৪ ছেপ্টেম্বৰত নগাঁও আদালতলৈ প্ৰেৰণ কৰে। উক্ত ৪৮জন অভিযুক্তৰ ভিতৰত প্ৰথম অৱস্থাত এজন আৰু পৰৱৰ্তী সময়ত আন দুজন নাবালক বুলি প্ৰমাণিত হোৱাত তেওঁলোকৰ বিচাৰ প্ৰক্ৰিয়া জুবেনাইল আদালতলৈ স্থানান্তৰ কৰা হয়। তেতিয়াৰ পৰা নগাঁও আদালতত ৪৫জন অভিযুক্তৰ বিৰুদ্ধে বিচাৰ প্ৰক্ৰিয়া চলি আছিল। তদুপৰি অভিযুক্তসকল নগাঁও কেন্দ্ৰীয় কাৰাগাৰত কাৰাবন্দী হৈ আছিল।

# ২৮ এপ্ৰিলত ঘোষণা হ'ব উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ফলাফল

ৰঙিলী বাৰ্ত্তাসেৱা- জল্পনা-কল্পনাৰ অন্ত পেলাই ঘোষণা কৰা হ'ল উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলৰ তাৰিখ। অহা ২৮ এপ্ৰিলত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বৃহস্পতিবাৰে ফলাফলৰ তাৰিখ সামাজিক মাধ্যমযোগে ঘোষণা কৰে। শিক্ষাৰ্থীসকলক আগতীয়াকৈ শুভেচ্ছাও জনালে মুখ্যমন্ত্ৰীয়ে। জানিব পৰা মতে, পুৱা ১০ বজাৰ লগে লগে ফলাফল ঘোষণা কৰাৰ সম্ভাৱনা আছে। কলা, বিজ্ঞান আৰু বাণিজ্য- তিনিওটা শাখাৰ ফলাফল একেলগে ঘোষণা কৰা হ'ব। ফলাফল চোৱাৰ সুবিধাৰ বাবে শীঘ্ৰে কেইবাটাও অনলাইন ৱেবছাইট মুকলি কৰা হ'ব। ফলাফল ঘোষণাৰ পূৰ্বে ৰাজ্যজুৰি ছাত্ৰ-ছাত্ৰীৰ মাজত উৎকণ্ঠা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। উল্লেখ্য যে চলিত বৰ্ষত ১১ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হৈছিল উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা। সময়সূচী অনুসৰি দিনৰ ১.৩০ বজাৰ পৰা বিয়লি ৪.৩০ বজালৈকে পৰীক্ষা অনুষ্ঠিত হৈছিল। ১৬ মাৰ্চত অন্ত পৰে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা। এই পৰীক্ষা সুকলমে অনুষ্ঠিত কৰাৰ বাবে কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হৈছিল। পৰীক্ষা কেন্দ্ৰৰ আশে-পাশে বলৱৎ কৰা হৈছিল ভাৰতীয় ন্যায় সংহিতাৰ ১৬৩ ধাৰা। পৰীক্ষা গৃহত ( নপৃষ্ঠাত চাওক)

# বিশিষ্ট সাংবাদিক নিত্য বৰা আৰু নাই



ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ সংবাদ, সাহিত্য আৰু সমাজ জীৱনৰ এজন আপোচহীন যোদ্ধা বিশিষ্ট নিবন্ধকাৰ, সমালোচক তথা বিশিষ্ট সাংবাদিক-সাহিত্যিক নিত্য বৰাই বুধবাৰে যোৰহাটৰ এখন ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ত শেষ নিশ্বাস ত্যাগ কৰে। দিনৰ প্ৰায় ২.৩০বজাত শেষ নিশ্বাস ত্যাগ কৰে বিশিষ্ট সাংবাদিকগৰাকীয়ে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৩ বছৰ। প্ৰায় ৬ মাহৰ পূৰ্বে উচ্চ ৰক্তচাপজনিত ৰোগত আক্ৰান্ত হোৱা অসমীয়া প্ৰতিদিন কাকতৰ প্ৰাক্তন সম্পাদকগৰাকীক প্ৰথমে গুৱাহাটী নেমকেয়াৰ হস্পিতালত ভৰ্তি কৰোৱা হৈছিল যদিও পৰৱৰ্তী সময়ত যোৰহাটৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰিছিল জী-জোঁৱায়ে। সহস্ৰজন গুণমুগ্ধক কন্দুৱাই বৃহস্পতিবাৰে যোৰহাটৰ জি নাৰ্ছিংহ'মত শেষ নিশ্বাস ত্যাগ কৰে ( নপৃষ্ঠাত চাওক)

# আদালতৰ ৰায়ক লৈ

চাৰিজনক অন্তত মৃত্যুদণ্ড আমি আশা কৰিছিলো । মৃত্যুদণ্ডৰ ৰায় হ'লেহে দৃষ্টান্তমূলক শাস্তি বুলি আমি ক'ব পাৰিলো হয় । যাৱজ্জীৱন কাৰাদণ্ডৰ দৃষ্টান্তমূলক শাস্তি বুলি ক'ব নোৱাৰি । অন্তত যি কেইজনৰ ষড়যন্ত্ৰৰ বাবে সমগ্ৰ ঘটনাটো সংঘটিত হ'ল সেইকেইজনৰ ফাঁচী হোৱাটো প্ৰয়োজন আছিল । আদালতে কিয় গোচৰটো ৰেয়াৰ অৱদ্য ৰেয়াৰ গোচৰ বুলি গণ্য নকৰিলে সেইটোহে বুজি নাপালো । বিচাৰ প্ৰক্ৰিয়াত পলম হৈছে যদিও উচিত বিচাৰ পোৱা বুলি আমি ভাৱিব নোৱাৰো । অৱশ্যে আদালতে এটা সুবিধা ৰাখিছে- দুয়োপক্ষই উচ্চ ন্যায়ালয়ত আপীল কৰিব পাৰিব। ইয়াৰ বাবে আমি আমাৰ অধিবক্তাৰ সৈতে আলোচনা কৰিম আৰু সোনকালে সিদ্ধান্ত ল'ম। ইফালে অভি-নীলৰ বন্ধু অংকুৰ শইকীয়াই আজি ৰায় সন্দৰ্ভত নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে মোৰ অনুভৱ দুই ধৰণৰ- এটা হ'ল বিগত ৮ বছৰ ধৰি অভি-নীলৰ পিতৃৰ সৈতে ন্যায়ালয়লৈ অহা-যোৱা কৰিলোঁ। ৪৫ জন অভিযুক্তক সপ্তাহে-সপ্তাহে, মাহে মাহে চাব লগা হৈছিল। সিহঁতে আমাক দেখি খুঁই পেলাই জোকায়। এই পৰিৱেশৰ পৰা আজি মুক্ত হ'লোঁ। দ্বিতীয়তে ন্যায়ালয়ে ২০ জনক দোষী সাব্যস্ত কৰি শাস্তি বিহিছে যদিও আমাৰ ন্যায়ৰ যুদ্ধ শেষ হোৱা নাই। পুনৰ আন এখন ন্যায়ৰ যুদ্ধ আৰম্ভ হ'ব বুলি তেওঁ তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে।

# অনন্তৰ বুকুত অসম




**জ্যোতিপ্ৰসাদ দেউৰী**
**নাৰায়ণপুৰ, লখিমপুৰ**

অসম কেৱল এখন ভৌগোলিক অঞ্চল নহয়, ই এক জীৱন্ত ইতিহাস, এক সজীৱ সংস্কৃতি আৰু এক গভীৰ অনুভৱৰ নাম। সময়ৰ সোঁতত বহু উত্থান-পতন দেখিও অসমৰ আত্মা কেতিয়াও নিস্তব্ধ হোৱা নাই। এই ভূমিত প্ৰতিটো নদী, প্ৰতিটো পথাৰ আৰু প্ৰতিটো সুৰে অতীত আৰু বৰ্তমানৰ এক অবিচ্ছিন্ন সম্পৰ্ক বহন কৰি আছে।

ব্ৰহ্মপুত্ৰ নদী অসমৰ জীৱনৰ মূল ধাৰা। ই কেৱল পানীৰ উৎস নহয়, বৰঞ্চ অসমৰ ইতিহাস আৰু সংস্কৃতিৰ এক গুৰুত্বপূৰ্ণ প্ৰতীক। যুগে যুগে এই নদীয়ে বহু ঘটনা আৰু পৰিৱৰ্তনৰ সাক্ষী হৈ আছে। ইয়াৰ ঢৌবোৰত যেন মানুহৰ সুখ-দুখ, সংগ্ৰাম আৰু আশা প্ৰতিফলিত হয়।

অসমৰ সেউজীয়া পথাৰ আৰু প্ৰাকৃতিক সৌন্দৰ্য্যই ইয়াৰ মানুহৰ জীৱনক গভীৰভাৱে প্ৰভাৱিত কৰিছে। এই প্ৰকৃতিৰ মাজতেই অসমৰ মানুহে নিজৰ সপোন গঢ়ি তুলিছে। দিনৰ পোহৰত দেখা সপোনবোৰ সন্ধিয়া সময়ত যেন এক নতুন ৰূপ লয়, যি জীৱনৰ আশা আৰু আকাংক্ষাক প্ৰতিনিধিত্ব কৰে।

অসমৰ সাংস্কৃতিক পৰিচয়ৰ এক গুৰুত্বপূৰ্ণ অংশ হৈছে বিহু। বিহু কেৱল এটা উৎসৱ নহয়, ই অসমৰ জাতীয় জীৱনৰ এক স্পন্দন। ঢোলৰ শব্দত, নৃত্যৰ তালত আৰু গীতৰ সুৰত অসমৰ মানুহৰ ঐক্য আৰু আনন্দ প্ৰকাশ পায়। এই উৎসৱে অসমৰ সংস্কৃতিৰ গভীৰতা আৰু ঐতিহ্যক বিশ্বৰ আগত উন্মোচন কৰে।

তথাপিও, অসমৰ ইতিহাস কেৱল আনন্দ আৰু সৌন্দৰ্য্যৰে পূৰ্ণ নহয়। ইয়াত বহু সংগ্ৰাম, দুখ আৰু সমস্যা লুকাই আছে। বহু সময়ত মানুহে নিজৰ সপোন আৰু অস্তিত্ব ৰক্ষাৰ বাবে যুঁজ দিব লগা হৈছে। এই দিশটোও অসমৰ বাস্তৱতাৰ এক অবিচ্ছেদ্য অংশ।

কিন্তু এই সকলো বাধাৰ মাজতো আশা কেতিয়াও শেষ হোৱা নাই। অসমৰ মানুহে সদায় নতুন পোহৰৰ সন্ধান কৰিছে। ক্ষুদ্ৰ ক্ষুদ্ৰ আশাৰ জোনাকবোৰে আজিও অন্ধকাৰ ফালি পোহৰ বিয়পাইছে। এই আশা আৰু দৃঢ়তাৰ বাবেই অসম আগবাঢ়ি গৈ আছে।

সেয়েহে ক'ব পাৰি, অসম কেৱল এখন ঠাই নহয়, ই এক অনন্ত অনুভৱৰ নাম। ইয়াৰ ইতিহাস, সংস্কৃতি আৰু মানুহৰ জীৱন একেলগে মিলি এখন অনন্ত আৱেগৰ সৃষ্টি কৰিছে, যাৰ অন্ত নাই। এই অনন্ততাই অসমৰ আচল সৌন্দৰ্য্য আৰু শক্তি প্ৰকাশ কৰে।

# বৰষুণ জাকে কয় কিবা কাণে কাণে



**নীলমণি গগৈ**

বৰষুণ জাক নামি আহে
নামি আহি যেন কয়হি
কিবা কাণে কাণে
পৰ্বতটোৰ হেলনীয়াতে
তেও ৰৈ থাকে, সপোন ৰচে
যেতিয়া পৰ্বতেও ক্ষণ গণে
নিদ্ৰাই ৰিঙিয়াই মাতে
অতীতটোক হয় ক্লান্তিময়
ভাগৰুৱা অতীতে
তাতেই জিৰণি লয় চাগেচু
স্মৃতিবোৰে ও তাতে পৰি থাকে
স্মৃতিক জাগ্ৰত কৰিবলে লওঁতেই
বৰষুণে জাকে তেওঁক
ক'লেহি হেনো কাম কাণে
অতীত নাহে উভতি বৰ্তমানলে
আহা আগবাঢ়ি স্নিগ্ধ সমীৰ
এচাটিৰ সৈতে তোমাৰো যে
তোমাৰো যে সপোন আছে
আমি কৰা সিক্ততাৰে,
আমি কৰা সিক্ততাতে
বসন্তত বিৰিখে কুঁহিপাত মেলে।

# গোবিন্দ চন্দ্ৰ পৈৰাঃ অসমীয়া সাহিত্য-সংস্কৃতিলৈ অৱদান

**বন্দিতা শৰ্মা কন্দলি, দেৰগাঁও**

অসম এখন বিচিত্ৰ দেশ। অসম ভিন্ন জাতি জনগোষ্ঠীৰ সাহিত্য আৰু সংস্কৃতিৰ উপাদানেৰে ভৰপূৰ দেশ। বিভিন্ন জাতি বা জনগোষ্ঠীৰ লোকে অসমীয়া সাহিত্য - সংস্কৃতি লৈ অৱদান আগবঢ়াই অসমীয়া সাহিত্যৰ ভঁৰাল সমৃদ্ধ কৰি থৈ গৈছে। তাৰেই এক জলন্ত দৃষ্টান্ত হৈছে গোবিন্দ চন্দ্ৰ পৈৰা।

" সাহিত্য -সংস্কৃতিৰ জগতৰ এটা অতি পৰিচিত আৰু আদৰৰ নাম - গোবিন্দ চন্দ্ৰ পৈৰা। পৈৰাই নিজৰ পৰিচয় দিয়ে 'মই সাংস্কৃতিক ভাৱে অসমীয়া ' বুলি। মিলন, সম্প্ৰীতি আৰু সংহতিৰ মূৰ্তিমান প্ৰতীক ৰূপে পৈৰাৰ এক উজ্বল ভাৱ মূৰ্তি আছে।"(লেখকৰ দু-আষাৰ, বুকুৰ তেজ মুখৰ ভাষা - প্ৰফুল্ল চন্দ্ৰ বৰা) সাহিত্য-সংস্কৃতিৰ জগতত পৈৰাৰ লগতে আন দুজন ব্যক্তিৰ নাম উল্লেখ নকৰিলে আধৰুৱা হৈ ৰব। সেই দুজন ব্যক্তি হৈছে হৰিপ্ৰসাদ ৰায় ( মাধৱ চন্দ্ৰ বেজবৰুৱাই 'গোৰ্খাৰায়' বুলি লেখাইছিল) আৰু ধন বাহাদুৰ সোনাৰ। তেওঁলোক তিনিওজন ছাত্ৰ জীৱন আৰু কৰ্ম জীৱনৰো সহযাত্ৰী আছিল।

জন্ম আৰু শিক্ষাঃ ১৯১৭ চনৰ ২৩ ফেব্ৰুৱাৰীত কহিমাত জন্ম গ্ৰহণ কৰা গোবিন্দ চন্দ্ৰ পৈৰাৰ পিতৃ আছিল সুদূৰ উৰিষ্যাৰ পৰা আহি কহিমাত বসবাস কৰা নবীন চন্দ্ৰ পৈৰা আৰু মাতৃ আছিল অসমৰ ধনীৰাম কাকতি আৰু আংগামী নগা কন্যা চেইনোৰ কন্যা লক্ষ্মী। লক্ষ্মীৰ লগত ধনীৰাম কাকতিৰ তেজৰ সম্বন্ধ নাছিল যদিও কাকতিয়ে মনে প্ৰাণে লক্ষ্মীকে নিজৰ সন্তান ৰূপে গ্ৰহণ কৰিছিল; কিয়নো ধনীৰাম কাকতিয়ে বিয়া কৰোৱা চেইনো এগৰাকী বিধৱা নাৰী আৰু এটি কন্যা সন্তানৰ মাতৃ আছিল। সেই সূত্ৰে কাকতি গোবিন্দ চন্দ্ৰ পৈৰাৰ ককাদেউতাক। গোবিন্দ চন্দ্ৰৰ শৈশৱ -কৈশোৰৰ শিক্ষা - দীক্ষা, খেলা-ধূলা আৰু জীৱনৰ আদি পাঠ পিতৃ পক্ষতকৈও মাতৃ পক্ষৰ ককাক ধনীৰাম কাকতি আৰু আইতাক চেইনোৰ পৰা লাভ কৰিছিল।১৯২৯ চনত গোবিন্দৰ বাৰ বছৰ বয়সত পিতৃ নবীন পৈৰাৰ মৃত্যু হোৱাত মাতৃ লক্ষ্মী পৈৰাৰ তত্বাৱধানত কহিমাতেই শিক্ষা গ্ৰহণ কৰিছিল। কহিমা মজলীয়া বিদ্যালয়ৰ পৰা ১৯ চনত গোবিন্দই অসমৰ ভিতৰতে দশম স্থানত বৃত্তি পাই উৰ্ত্তীণ হৈছিল। সেই বিদ্যালয়তে ৰমাকান্ত গোস্বামীৰ পৰা তেওঁ অসমীয়া ভাষা খৰছি মাৰি শিকিছিল। সেই সময়ত কহিমাত হাইস্কুল নথকাত ককাক ধনীৰাম কাকতিয়ে গোবিন্দক নি নাজিৰা হাইস্কুলত নাম লিখাই দিয়ে। প্ৰথমবাৰ শাৰীৰিক অসুস্থতাৰে প্ৰবেশিকা পৰীক্ষা দিছিল যদিও উৰ্ত্তীণ হ'ব নোৱাৰিলে। পিছলৈ জীৱন সংগ্ৰামত ব্ৰতী হ'ল, পৰীক্ষা দিয়া নহ'ল। কিন্তু সৃষ্টিশীল কামত আওকাণ কৰা নাছিল।

কৰ্ম জীৱনঃ গোবিন্দ চন্দ্ৰ পৈৰাৰ জীৱন আছিল অনন্য-সংগ্ৰামৰো আৰু সৃষ্টিশীলতাৰো। দেউতাকৰ মৃত্যুৰ পিছত ককাকৰ বোজা হৈ থকাতো মাকে বিচৰা

*( আঠপৃষ্ঠাত চাওক)*

# চেতনাৰ ধূসৰ নদীৰ ঘাট

**মীৰা কোঁৱৰ, ডিব্ৰুগড়**



জোনাক নিশা
মোৰ খিৰিকিৰ কাষত
নূপুৰৰ ৰুণজুন
খিৰিকিখন খুলি দিলোঁ
এসোপামান স্নিগ্ধ জোনাক
উলহ মালহেৰে
সোমাই আহিল
ওৰে ৰাতি সাৰে থকা
চকুৰ পতাত
গধূৰ হৈ পৰিছিল
সপোন ভগাৰ বেদনাবোৰ
ছটফটাই ছটফটাই বৈ গৈ
উপচি পৰিল
চেতনাৰ ধূসৰ নদীৰ ঘাটটো।

# বহাগ

দুলুমণি দেৱী, মাকুম



বহাগ মানেই প্ৰকৃতিৰ
স্নেহভৰা চাৱনি
কুলিৰ মৌ মিঠা মাতত
কেতেকীৰ হিয়া পমি যোৱা
সুৰৰ প্ৰতিধ্বনি...
অমিয়া গীতৰ লহৰত
নীল আকাশৰ সীমনাত
বৰ্ণিল ৰংৰ জিকমিকনি...
কপৌ ফুলৰ লাজুকী হাঁহিত
চিপ চিপ বৰষুণজাকেও
পাতে মিতিৰালি...
মিঠা গীত জুৰে
কপৌ পাহি হৈ পৰে আলসুৱা, আলফুলীয়া
বহাগ মানেই
ৰ'দৰ বসুন্ধৰা
সুকোমল প্ৰকৃতিৰ অপুৰ্ব আভা...

# সম্প্ৰীতি

প্ৰভাত বণিয়া



সময় হ'ল একলগ হোৱাৰ
গাইগুটীয়া চিন্তা চৰ্চাৰ দিন উকলিল
আমি অসমীয়া স্বাভিমানী,
সংহতিৰ মহান মন্ত্ৰ তেজে তেজে,
কন্ঠে কণ্ঠে নিনাদিত
"মিলিব লাগে, মিলাব লাগে" সম্প্ৰীতিৰ গান
ভাল ভাৰতীয় আমি
এক জাতি এক প্ৰাণ
পৃথিৱী আমাৰ ঘৰ।

অণুগল্প

# ব'হাগ

ধীৰেন্দ্ৰ কুমাৰ নাথ, আগিয়া



বিহু বুলি ঘৰখনেই ৰজন জনাই গৈছে তাতে আকৌ ডাঙৰ নাতিনী জনীৰ চেৰেকী ঘূৰা দি নাচ। সকলোৰে অলক্ষিতে যাঠিৰ উৰ্দ্ধৰ বৰুৱাৰ চকুলো সৰিছে। " প্ৰথম বাৰ মোক দিয়া বিহুৱান খন আজিও তোৰ কথাকে সোঁৰৱাই অ' সোণপাহী ।"

# এটি নতুন দিন নতুন সময়ে সকলোলৈকে লৈ আহক আনন্দৰ বতৰা




উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ফলাফল সমূহ ঘোষনাৰ তাৰিখ চৰকাৰে ঘোষনা কৰিছে। গতিকে প্ৰত্যেক অভিভাৱকৰ লগতে শিক্ষাৰ্থী সকলে অতি উৎকণ্ঠা আৰু আগ্ৰহেৰে ৰৈ আছে ফলাফল কি হ'ব । কাৰোবাৰ হয়তো আশা কৰা ধৰণে হ'ব, কোনো কোনোৰ হয়তো আশা কৰাতকৈ ভাল বা বেয়া হ'ব । এতিয়া কথা হ'ল আমি অভিভাৱক সকলে শিক্ষাৰ্থী সকলৰ ফলাফলক লৈ গৌৰৱ কৰিবৰ বাবেই হওঁক বা সন্তানৰ উচ্চ শিক্ষাৰ পৰিকল্পনাৰ বাবেই হওঁক, তেওঁলোকে কিমান শতাংশ নম্বৰ পালে সেইটোত বেছি গুৰুত্ব দি শিক্ষাৰ্থী সকলৰ ফলাফলৰ খবৰ জানিবলৈ আজি কালি হাততে পোৱা মোবাইলটোৰ দ্বাৰাই ফোন কৰি খবৰ লবলৈ আত্মীয়, চা-চিনাকী সকলোকে সজাগ কৰা নাই নে বাৰু ! কোনো কোনো সময়ত অভিভাৱক সকলে নিজৰ স্বাভিমান ৰক্ষাৰ বাবে শতাংশৰ পৰিমান বঢ়ায় ক'ব লগাও পৰিবেশ এটাৰ আমিয়েই সৃষ্টি কৰিছোঁ । সেই সময়ত শিক্ষাৰ্থী গৰাকীৰ লগতে তেওঁৰ অভিভাৱক সকল শ'ল ঠেকত পৰাও আমি লক্ষ্য নকৰা নহয় ।এই শতাংশৰ ধুমুহায় সকলোকে জোঁকাৰি গৈছে ।অমুকে ইমান পালে, তমুকে ইমান পালে, এনে বাক্যবাণত নিজৰ সন্তানে এইখিনি হে পালে বুলিও লজ্যাবোধ কৰা দেখা যায় । তেতিয়াই তেওঁলোক মানসিক ভাবে হীনমন্যতাত ভোগে ।ফলত কিছুমান নলব লগা সিদ্ধান্ত লৈ নিজৰ জীৱন শেষ কৰি দিয়া পৰিলক্ষিত হৈছে ।

নমিতা দাস, গুৱালকুছি

# ৰোবটিক্স আৰু আধুনিক বিশ্ব




জীৱনজ্যোতি গগৈ,গোলাঘাট

ৰোবটিক্স হৈছে বিজ্ঞান আৰু প্ৰযুক্তিৰ এটা গুৰুত্বপূৰ্ণ শাখা, য'ত মানুহে তৈয়াৰ কৰা যন্ত্ৰবোৰক স্বয়ংক্ৰিয়ভাৱে কাম কৰিবলৈ সক্ষম কৰা হয়।আধুনিক বিশ্বত ৰোবটিক্সৰ প্ৰভাৱ দিনক দিনে বাঢ়ি আহিছে। আগতে যিবোৰ কাম মানুহে হাতেৰে কৰিছিল, এতিয়া সেইবোৰ বহু ক্ষেত্ৰত ৰোবটে সহজে আৰু দ্ৰুতভাৱে সম্পন্ন কৰি আছে।এই পৰিৱৰ্তনে মানৱ জীৱনক সহজ কৰাৰ লগতে নতুন চিন্তা আৰু সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিছে।

ৰোবটিক্সৰ মূল উদ্দেশ্য হৈছে মানুহৰ কাম সহজ কৰা আৰু সময় ৰক্ষা কৰা। শিল্প কাৰখানাত ৰোবটৰ ব্যৱহাৰ বহুত আগতেই আৰম্ভ হৈছিল। গাড়ী নিৰ্মাণ, ইলেক্ট্ৰনিক সামগ্ৰী প্ৰস্তুত কৰা আদি ক্ষেত্ৰত ৰোবটে অত্যন্ত নিখুঁতভাৱে কাম কৰে। মানুহৰ দৰে ক্লান্ত নহয়, আৰু ভুল কৰাৰ সম্ভাৱনাও কম। ফলত উৎপাদন বৃদ্ধি পায় আৰু সময়ো বাচে।

চিকিৎসা ক্ষেত্ৰতো ৰোবটি' বিপ্লৱ আনিছে। জটিল অপাৰেচনবোৰ এতিয়া ৰোবটৰ সহায়ত অধিক নিখুঁতভাৱে কৰা হয়। ডাক্তৰে দূৰত থাকিও ৰোগীৰ ওপৰত অপাৰেচন কৰিব পাৰে। ইয়াৰ ফলত চিকিৎসাৰ মান উন্নত হৈছে আৰু বহু ৰোগী নতুন জীৱন লাভ কৰিছে। বিশেষকৈ যিবোৰ অপাৰেচনত অতি সূক্ষ্মতা প্ৰয়োজন, তাত ৰোবটৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ।

শিক্ষা ক্ষেত্ৰতো ৰোবটিক্সে নতুন দিশ দেখুৱাইছে। স্কুল-কলেজত শিক্ষাৰ্থীসকলক ৰোবটিক্সৰ বিষয়ে শিকোৱা আৰম্ভ হৈছে। ইয়াৰ জৰিয়তে শিক্ষাৰ্থীসকলে বিজ্ঞান আৰু প্ৰযুক্তিৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰে। তেওঁলোকে সৃষ্টিশীল চিন্তা আৰু সমস্যা সমাধান কৰাৰ ক্ষমতা বিকাশ কৰে। ভৱিষ্যতে ৰোবটিক্সৰ জ্ঞান থকা ছাত্ৰ-ছাত্ৰীৰ বাবে বহু নতুন কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি হ'ব।

ৰোবটিক্সৰ ব্যৱহাৰ এতিয়া ঘৰুৱা জীৱনতো দেখা যায়। ঘৰত ব্যৱহাৰ কৰা স্মাৰ্ট যন্ত্ৰ, যেনে স্বয়ংক্ৰিয় ৰেকুৱাম ক্লিনাৰ, স্মাৰ্ট সহায়ক আদি ৰোবটিক্সৰ উদাহৰণ। এইবোৰে দৈনন্দিন কাম সহজ কৰি মানুহক অধিক সময় দিবলৈ সহায় কৰে। বিশেষকৈ বৃদ্ধ লোক বা শাৰীৰিকভাৱে অসুবিধাগ্ৰস্ত লোকৰ বাবে এইবোৰ অতি উপকাৰী।

কিন্তু ৰোবটিক্সৰ কিছু নেতিবাচক দিশো আছে। অধিক ৰোবট ব্যৱহাৰৰ ফলত বহু ক্ষেত্ৰত মানুহৰ চাকৰি কমি যোৱাৰ আশংকা থাকে। যন্ত্ৰই মানুহৰ কাম লৈ ল'লে নিবনুৱা বৃদ্ধি পাব পাৰে। তদুপৰি, ৰোবটৰ ওপৰত অধিক নিৰ্ভৰশীল হ'লে মানুহৰ দক্ষতা আৰু চিন্তা-ক্ষমতা হ্ৰাস পোৱাৰ সম্ভাৱনা থাকে।ইয়াৰ উপৰিও, ৰোবট ব্যৱহাৰৰ সৈতে জড়িত নৈতিক সমস্যা আৰু সুৰক্ষা সংকটো গুৰুত্বপূৰ্ণ বিষয়।

আগলৈ..



# Is it Destiny...?

নাচিমা য়াচমিন, বিশ্বনাথ

যোৰাখণ্ডৰ পৰা..

:“ তুমি থাকিবা বুলি জানিলে কেতিয়াও নাহিলোঁ হয়।”

:“ কিয় মই ইমান বেয়া নি?”

:“ নিজে জানা নহয়।”

ৰাগিনি আৰু অনুৰাগ -তিনিটাকৈ বছৰ একে লগত পঢ়া। অনুৰাগ আছিল গোটেই কলেজৰ জনপ্ৰিয় মুখ। তাৰ সুৰে ছোৱালীবিলাকৰ মনত প্ৰেমৰ জোৱাৰ তুলিছিল। ফ্ৰেচাৰ্চত গান গোৱা সময়ৰ পৰাই অনুৰাগ হৈ পৰিছিল ছোৱালীবিলাকৰ নতুন ক্ৰাছ।

সেই ছোৱালীবিলাকৰ লিষ্টত অন্তৰ্ভুক্ত আছিল সহজ-সৰল মনৰ ৰাগিনিয়ো। তাইয়ো লুকাই- চুৰকৈ অনুৰাগক চাই থাকিছিল। কিন্তু তাৰ লগত কথা পাতিবলৈ কেতিয়াও সাহস গোটাব পৰা নাছিল।

বাইকৰ ওপৰত বহি লগৰ বোৰৰ লগত আড্ডা দি থকা অনুৰাগক এপলক চাবলৈ তাইৰ মন ব্যাকুল হৈ পৰিছিল। কলেজ উইকত “নীলা খামৰ চিঠি ” প্ৰতিযোগিতাত তাই অনুৰাগৰ প্ৰতি থকা অনুভৱখিনি লিখি প্ৰথম হৈছিল।

:“ ৰাগিনি, মই তোমাক ড্ৰপ কৰি দিও, আহা মোৰ লগত।”

:“ আৰু কিমান দয়া কৰিবা অনুৰাগ, নালাগে তোমাৰ দয়া মোক। ”

:“ ৰাগিনি প্লিচ, তোমাৰ অৱস্থা চোৱা এবাৰ। ”

সঁচাকৈ, তাই নিজৰ ফালে এবাৰ লক্ষ্য কৰিলে। হাতত এপাত চেন্দেল লৈ বৈ আছে তাই। ততালিকে তাই চেন্দেলপাত হাতৰ পৰা পেলাই দিলে। তাই অনুৰাগৰ আগত অলপ লাজ পালে। অনুৰাগে তাইৰ ফালে চাই হাঁহিলে মাত্ৰ। সঁচাকৈয়ে অলপো সলনি হোৱা নাই তাই। চাৰিবছৰ আগৰ আজলী ৰূপহী ৰাগিনিজনীয়েই আছে।

কলেজৰ প্ৰথম দিনটোৰ কথা তাৰ এতিয়াও মনত আছে। ঠিক এনেদৰেই ৰাগিনিয়ে চকু মুদি ৰাস্তা পাৰ হ'বলৈ চেষ্টা কৰি আছিল। এই দৃশ্যটি অনুৰাগৰ বাইকৰ মিৰ'ৰত দৃশ্যমান হৈ পৰিছিল। সি বাইক ৰখাই ঠিক আজিৰ দৰেই হাতত ধৰি তাইক ৰাস্তা পাৰ কৰাই দিছিল।

সেইদিনা আৰু আজিৰ পৰিস্থিতি যদিও একে কিন্তু ইয়াৰ মাজত অতিক্ৰম কৰিছে চাৰিটাকৈ বছৰ। অলেখ ভুল বুজা-বুজিৰ লগতে মান -অভিমানৰ প্ৰকাণ্ড পাহাৰখন।

:“ ৰাগিনি, ব'লা মোৰ লগত। ”- উত্তৰৰ অপেক্ষা নকৰি তাইৰ হাতত ধৰি অনুৰাগ আগুৱাই যায়। গাড়ীৰ দুৱাৰখন খুলি তাইক বহিবলৈ ক'লে। কিন্তু তাই অমান্তি হয়, চকুডাঙৰ কৰাত যেনিবা তাই উঠি বহিলে। চিট বেল্ট পিন্ধাই দিয়াৰ সময়ত অনুৰাগে তাইৰ চকুৰ কোণত এটি শুভ্ৰ কণিকা জিলিকি থকা দেখিলে। সি নিজ হাতেৰে আঁতৰাই পঠিয়ালে সেই কণিকাটিক।

: কোৱা এতিয়া, ইয়াত কি কৰিছাঁ? অকলে আহিছা ? লগত কোনো অহা নাই?

:“ জব এটাৰ ইন্টাৰ্ভিউ আছে। আৰু মই এতিয়াও সৰু হৈ আছোঁ নি কাৰোবাৰ লগত ফুৰিবলৈ কিবা,”

:“ তাকে, গম পোৱা গৈছে, কিমান ডাঙৰ হৈছা।”

:“ ক'ত আছে interview, আৰু কেতিয়া আছে?”

:“ কাইলৈ আছে।”

:“ থাকিবা ক'ত? I mean কোনোবা চিনাকি আছে? ”

:“ নাই। থাকি যাম কৰবাত।”

:“ miss ৰাগিনি এইয়া তোমাৰ গাঁও নহয়, গুৱাহাটী হয়। ইয়াত তুমি অকলে মেনেজ কৰিব নোৱাৰিবা।”

:“ পাৰিম মই। চব পাৰিম। তোমাক এৰি ইমান বছৰ থাকিব পাৰিছোঁ যেতিয়া চব পাৰিম মই।”

অনুৰাগৰ মুখত কোনো উত্তৰ নাই। সি যিমানেই তাইক নুবুজাই কিয়, তাই ভুল বুজাটো নিশ্চিত। তাৰ অভিমান মাথোঁ ইমানেই যে ৰাগিনিয়ে তাক বিশ্বাস নকৰি অন্যৰ কথা বিশ্বাস কৰিছিল। বেলেগৰ কথা শুনি তাক ভালপোৱাক অবিশ্বাস কৰিছিল।

:“ তুমি মোৰ লগত যাবা। মোৰ লগত থাকিবা। ”

:“ নাযাও তোমাৰ লগত। ”

:“ মই তোমাক অনুৰোধ কৰা নাই। অৰ্ডাৰ দিছোঁ বুজিছা?”

:“ আৰু মই তোমাৰ অৰ্ডাৰ শুনিম, কেনেকৈ ভাবিলা?”

:“ ভৰা নাই, মই sure, তুমি মোৰ লগতেই যাবা।”

:“ মিচা, ”

:“ সঁচা।”

অনুৰাগৰ ফ্লেটৰ ভিতৰত ৰাগিনিয়ে ভৰি দিয়ে। মন নোযোৱা স্বত্তেও তাই অনুৰাগৰ লগত আহিলে। কিয়নো অনুৰাগৰ বাহিৰে আন কোনো চিনাকি মানুহ নাই এইখন চহৰত। তদুপৰি এই চাকৰিটো তাইৰ বৰ প্ৰয়োজন। তাই নিজৰ অভিমানখিনিক এৰি অলপ সময়ৰ বাবে স্বাৰ্থপৰ হয়।

:“ ৰাগিনি, বহা। কি খাবা কোৱা? চাহ খাবা?”

:“ মই একো নাখাও। ”

:“ কিন্তু মই খাম, চাহ খাম। বনাই আনাগৈ চোন দুকাপ। ”

তাই কথা নবহাই কিৎচেনলৈ যায়। তাইৰ মাথাটো বৰকৈ বিষাইছে। চাহকাপ খালে ভাল লাগিব।।

আগলৈ..

# গোবিন্দ চন্দ্ৰ পৈৰাঃ অসমীয়া সাহিত্য-সংস্কৃতিলৈ অৱদান

নাছিল। সেই সময়ত কহিমাত সহজে চলাব পৰা ব্যৱসায় আছিল মদ বেচা। কম বয়সীয়া গোবিন্দই কঠোৰ ভাৱে সেই ব্যৱসায়টো প্ৰতিবাদ কৰিছিল। অৱশেষত বিধবা মাকে আৰম্ভ কৰিছিল তামোল-পাণৰ ব্যৱসায়। খুব কম দিনৰ ভিতৰতে সেই ব্যৱসায়ত সফলতা লাভ কৰিছিল। পিছলৈ দোকানৰ দায়িত্ব গোবিন্দই নিজে লৈছিল। এখনৰ ঠাইত দুখন দোকান হৈছিল গৈ। এখন আছিল লেখন সামগ্ৰীৰ, আৰু খন আছিল যাৱতীয় আন সকলো সামগ্ৰীৰ। কহিমা নগৰত গোবিন্দ পৈৰা ডাঙৰ ব্যৱসায়ী ৰূপে প্ৰতিষ্ঠিত হ'ল।

সময়ে ৰূপ সলায়। ব্যৱসায়ী গোবিন্দ ১৯৩৭ চনত কহিমা এম. ই. স্কুলত শিক্ষকৰূপে যোগদান কৰিলে। সেই সময়চোৱাতেই অৰ্থাৎ ১৯৩৭-১৯৩৯ চনত তেওঁৰ ঘৰুৱা দায়িত্ব বঢ়াৰ বাবে ডিমাপুৰলৈ আহি আৰম্ভ কৰিলে এটা চাবোন তৈয়াৰ কৰা কাৰখানা। কিন্তু এই ব্যৱসায়ত তেওঁ সফল নহ'ল। দ্বিতীয় মহাযুদ্ধৰ সময়ত কষ্টিক চ'দা নোপোৱা হোৱাত চাবোন ফেক্টৰী বন্ধ হৈ গ'ল। আকৌ ঘৰৰ ল'ৰা ঘৰলৈ মানে কহিমালৈ ঘুৰি আহিল সৰ্বস্বান্ত হৈ। বিপদে লগ নেৰা গোবিন্দ কহিমালৈ আহিয়েই টান নৰিয়াত পৰিল। তাৰ পৰা কিছু সকাহ পাওঁতেই যোল্ল - সোতৰ বছৰীয়া ভনীয়েক সৰস্বতী ৰ গাত জুই লাগি মৃত্যু হয়।

১৯৩৯ চনত বিশ্বব্যাপী আৰম্ভ হ'ল দ্বিতীয় বিশ্বযুদ্ধ। ভাৰতলৈ প্ৰবেশ কৰা ভগনীয়া সকলৰ দায়িত্ব বহন কৰিব লগা হৈছিল তদানীন্তন ভাৰতৰ ব্ৰিটিছ চৰকাৰে। ১৯৪২ চনৰ মে' মাহত কহিমাত থকা তেতিয়াৰ ডেপুটি কমিছ্নাৰ চাৰ্লচ ৰবাৰ্ট পাউচীয়ে ৰিফিউজি কামাণ্ডেণ্ট পদত নিযুক্তি দিয়া পাঁচজন উদ্যোগী যুৱকৰ ভিতৰত এজন আছিল গোবিন্দ চন্দ্ৰ পৈৰা। তাৰ পিছত তেওঁ 'গেৰিছন ইঞ্জিনিয়াৰৰ অফিচত ' ষ্টৰ ক্লাৰ্ক হিচাপে চাকৰিত যোগদান কৰিছিল। ১৯৪৩ -৪৪ চনৰ দুবছৰ কাল তেওঁ ডেপুটি কমিছনাৰ অফিচৰ একাউণ্টেণ্ট আছিল। ১৯৪৪ চনৰ শেষৰ ফালে ডিমাপুৰলৈ যায় আৰু ডেপুটি কমিছনাৰ অফিচৰ 'ইনচাৰ্জ ' হিচাপে কাম কৰিছিল। ১৯৪৬ চনৰ ফেব্ৰুৱাৰী মাহত ধ্ৰুৱবেনী নামৰ খ্ৰীষ্টান পৰিয়ালৰ ছোৱালী এগৰাকীক বিয়া কৰায়।

পুনৰ কহিমালৈ ঘুৰি গৈ যোগান বিভাগ আৰু 'টুৱেনচাং এফেয়াৰ্চ' ৰ অফিচৰ দায়িত্ব লয় ১৯৫২ চন পৰ্যন্ত। তাৰ পিছত গড়কাপ্তানী বিভাগত আৰু সেনাবাহিনীৰ ঠিকা -ঠুকলিৰ কাম কৰিবলৈ লয়। ১৯৫৯ চনত তেওঁৰ মাতৃৰ বিয়োগ হয়। ১৯৬০-৬১ চনত পৈৰাৰ পাৰিবাৰিক জীৱনলৈ অভাৱনীয় বিপৰ্যয় আহে। ১৯৬০ চনত পৈৰাৰ চৈধ্য বছৰীয়া যুগ্মজীৱনৰ অন্ত পৰে। সেই সময়ত তেওঁ দুজনী কন্যা সন্তান আৰু চাৰিটা ল'ৰাৰ দায়িত্ব পালন কৰিব লগা হয়। দ্বিতীয় বিবাহ নকৰি তেওঁ পুনৰ ব্যৱসায় আৰু সামাজিক দায়িত্ব পালন কৰিছিল।

১৯৬১ চনৰ ডিচেম্বৰ মাহত তেওঁ পুনৰ ছটা এমা ডিমা ল'ৰা ছোৱালী লৈ ডিমাপুৰলৈ আহিল। এইবাৰ ডিমাপুৰত এক নতুন সম্পৰীক্ষা আৰম্ভ হ'ল, সেয়া হ'ল সমবায় ভিত্তিত কৃষি। দেৰগাঁওৰ বৰুৱা বামুণ গাঁৱত প্ৰতিষ্ঠা হোৱা অসম সমবায় চেনিকলৰ বাবে প্ৰয়োজন হৈছিল প্ৰচুৰ পৰিমাণৰ কুঁহিয়াৰ। সংগঠন কৰিলে কৃষি সমবায় সমিতি। ১৯৬১ চনত ডিমাপুৰত আৰম্ভ কৰিলে কুঁহিয়াৰ খেতি লগতে ধান আৰু মীন পাম। ১৯৭৪ চন পৰ্যন্ত তেওঁ চেনিকললৈ যোগান ধৰিলে প্ৰচুৰ পৰিমাণে কুঁহিয়াৰ। নগালেণ্ডৰ সমবায় আন্দোলনৰ তেওঁ আছিল গুৰি ধৰোঁতা। তেওঁ প্ৰতিষ্ঠা কৰা ডিমাপুৰৰ কুঁহিয়াৰ সমবায় পামৰ তেওঁ ১৯৭৪ চনলৈকে প্ৰধান সঞ্চালক আছিল। নগালেণ্ড ষ্টেট কঅপাৰেটিভ বেংকৰ তেওঁ প্ৰথমতে উপ-সভাপতি আৰু পিছলৈ (১৯৬৯-১৯৭২) সভাপতি হৈছিল। লগতে 'নাগালেণ্ড ষ্টেট ক'অপাৰেটিভ মাৰ্কেটিং এণ্ড কন্‌জিউমাৰ্চ ফেডাৰেশ্যন ' ৰ আৰু ইউনিয়নৰো সভাপতি পদ লাভ কৰিছিল। তেওঁ 'নাগালেণ্ডৰ কুঁহিয়াৰ উন্নয়ন পৰিষদ' বৰ্ডৰো সদস্য হৈছিল।

আগলৈ..

# এটি নতুন দিন নতুন

শিক্ষাৰ্থী সকলক বিভিন্ন বাছনি পৰীক্ষাত অবতীৰ্ণ হ'বলৈ এটা শতাংশৰ পৰিমান চৰকাৰে নিৰ্ধাৰণ কৰি দিছে। তেওঁলোকৰ পুথিগত জ্ঞান কিমান সেই কথা সেই পৰীক্ষাত প্ৰয়োজন হয় বুলি ভাবো ।কাৰণ ৯৭% পোৱা লৰা-ছোৱালীয়ে যেতিয়া বেলেগ বেলেগ বাছনি পৰীক্ষাত উত্তীৰ্ণ হ'ব নোৱাৰে তেওঁলোক মানসিক ভাবে ভাগি পৰে ।অসহায় হৈ পৰে তেওঁলোক এফালে ঘৰ খনৰ প্ৰচণ্ড চাপ আনফালে সমাজৰ মানুহে কি ক'ব, এনে কিছুমান পৰিস্থিতিত পৰি মানসিক ভাৰসাম্য হেৰুৱাই পেলাই তেওঁলোকে বিষন্নতাৰে দিন নিয়াব লগা হয় ।গতিকে আমি আমাৰ সন্তানৰ কথা ভাবিয়েই %তকৈ পুথিগত জ্ঞানৰ কথাহে ভবাৰ প্ৰয়োজন আছে বুলি ভাবো। কাৰণ শিক্ষাৰ্থী সকলৰ ভৱিষ্যত শতাংশৰে নহয়। তেওঁলোকৰ পুথিগত শিক্ষাৰ ওপৰিও বাহিৰা জ্ঞানৰ লগতে মাত-কথা আচাৰ ব্যৱহাৰ সুন্দৰ হোৱাৰ প্ৰয়োজন। বেছিভাগ উচ্চ শিক্ষাৰে শিক্ষিত লোক সকলৰ পিতৃ- মাতৃয়ে বৃদ্ধাশ্ৰমত আশ্ৰয় লব লগা হৈছে, সেয়া যিয়েই কাৰণ নহওঁক গতিকে শিক্ষাৰ লগতে নিজৰ কামখিনি, কথা-বাৰ্তা আৰু সম্পৰ্ক বোৰতো মধুৰতা অনাৰ প্ৰয়োজন আছে বুলি ভাবো।

# আপ এৰি বিজেপিত

আমাৰ যৌৱনৰ ১৫টা বছৰ দলটোক দিলোঁ। কিন্তু এই আপ এতিয়া আদৰ্শচ্যুত হৈছে। দলটোৱে এতিয়া আৰু দেশৰ বাবে কাম নকৰে, কেৱল ব্যক্তিগত লাভৰ বাবেহে কাম কৰে। আমাৰ ধাৰণা হৈছে যে আমি ভুল দলত আছোঁ। সেইবাবেই আজি আমি আপৰ পৰা ওলাই যোৱাৰ সিদ্ধান্ত ঘোষণা কৰিলোঁ আৰু মানুহৰ ওচৰলৈ যোৱাৰ সিদ্ধান্ত ল'লোঁ।' নতুন দিল্লীত সন্দীপ পাঠক আৰু অশোক মিট্টলৰ সৈতে শুকুৰবাৰে এখন সংবাদমেল সম্বোধন কৰি চাড্ডাই কয়, ৰাজ্যসভাত আপৰ ১০ গৰাকী সাংসদ আছে । ইয়াৰে দুই তৃতীয়াংশতকৈও অধিক আমাৰ লগত আছে । তেওঁলোকে স্বাক্ষৰ কৰিছে আৰু আজি পুৰা আমি স্বাক্ষৰিত পত্ৰ আৰু নথি-পত্ৰ ৰাজ্যসভাৰ অধ্যক্ষৰ ওচৰত জমা দিছো। ৩ জন আপোনাৰ সন্মুখত আছোঁ । আমাৰ বাহিৰেও হৰভজন সিং, ৰাজিন্দৰ গুপ্তা, বিক্ৰম সাহানী আৰু স্বাতী মালিৱাল আছে। দলটোৱে মূল নৈতিক মূল্যবোধৰ পৰা আঁতৰি গৈ এতিয়া জাতিটোৰ বাবে কাম নকৰে বুলি উল্লেখ কৰি চাড্ডাই দল ত্যাগ কৰাৰ কথা ঘোষণা কৰে । তেওঁ কয় যে কিছুমানে তেওঁক কৈছিল যে তেওঁ ভুল দলত আছে । উল্লেখ্য যে চলিত মাহৰ প্ৰথম ভাগত ৰাজ্যসভাৰ উপ-দলপতি পদৰ পৰা আঁতৰাই দিয়া হৈছিল ৰাঘৱক। তেতিয়াৰে পৰাই আপ সাংসদ গৰাকীয়ে বিজেপিত যোগদান কৰাৰ জল্পনা-কল্পনা তুংগত উঠিছিল। সেই সময়ত ৰাঘৱৰ ঠাইত অশোক মিট্টলক ৰাজ্যসভাৰ উপ-দলপতি পদত নিযুক্ত কৰা হয়।

# পঞ্জাৱ আৰক্ষীয়ে পুনৰ গ্ৰেপ্তাৰ

ভাৰ্চুৱেলী অমৃতপাল সিঙক আদালতত হাজিৰ কৰোৱাব বুলি জানিব পৰা গৈছে। উল্লেখ্য, ২০২৩ চনৰ ২৩ এপ্ৰিলত এনএছএৰ অধীনত গ্ৰেপ্তাৰ কৰি অমৃতপাল সিঙক ডিব্ৰুগড় কেন্দ্ৰীয় কাৰাগাৰলৈ অনা হৈছিল। তিনি বছৰীয়া কাৰাবন্দিত্বৰ ম্যাদ বুধবাৰে মাজনিশা অন্ত পৰাৰ পাছত ১৯ এপ্ৰিলৰ পৰা ডিব্ৰুগড়ত বাহিৰ পাতি থকা পঞ্জাৱ আৰক্ষীৰ শীৰ্ষ বিষয়াৰ দলে কাৰাগাৰৰ পৰাই গ্ৰেপ্তাৰ কৰে অমৃতপাল সিঙক। ইফালে, সমগ্ৰ প্ৰক্ৰিয়াটোৰ সন্দৰ্ভত অমৃতপাল সিঙৰ অধিবক্তা যশবীৰ কৌৰে কয় যে অমৃতপাল সিঙক পঞ্জাৱ আৰক্ষীয়ে দুদিনৰ আৰক্ষী জিম্মাত লৈছে। অজনালা থানা আক্ৰমণৰ ঘটনা সন্দৰ্ভত ডিব্ৰুগড় সদৰ থানাত জেৰা চলোৱা হ'ব। ইয়াৰ পিছত তেওঁক পুনৰ ডিব্ৰুগড় কেন্দ্ৰীয় কাৰাগাৰলৈ লৈ অহা হ'ব আৰু তাতেই ৰখা হ'ব। উল্লেখযোগ্য যে এনএছএৰ অধীনত বন্দী হৈ থকাৰ বাবে অজনালা গোচৰটো তিনি বছৰ ধৰি ওলমি ৰৈ আছিল। ২০২৩ চনৰ ২৪ ফেব্ৰুৱাৰীত অমৃতপাল সিঙৰ নেতৃত্বত অমৃতসৰৰ উপকণ্ঠত থকা অজনালা থানাৰ বেৰিকেড ভাঙি ভিতৰত প্ৰৱেশ কৰি এজন সহযোগীক মুকলি কৰি আনিবলৈ আৰক্ষীৰ সৈতে সংঘাতত লিপ্ত হৈছিল। এই ঘটনাটোৰ সন্দৰ্ভত ৰুজু হোৱা গোচৰত অমৃতপালসহ ৪১জন অভিযুক্তৰ বিৰুদ্ধে ভাৰতীয় দণ্ডবিধিৰ কেইবাটাও ধাৰা শ্চহত্যাৰ চেষ্টা ৩০৭, অপৰাধমূলক ষড়যন্ত্ৰ ১২০বি, চৰকাৰী কৰ্মচাৰীক আক্ৰমণ ৩৫৩, দাংগা (১৪৮) আৰু অবৈধ সমাৰেশ (১৪৯)ৰ লগতে অস্ত্ৰ আইনৰ ২৫নং ধাৰাৰ অধীনত পঞ্জীভূত হৈ আছিল। ইফালে, অমৃতপাল সিঙক পুনৰ গ্ৰেপ্তাৰৰ পাছতে আজিৰ দিনটোৰ পৰা আৰম্ভ হ'ব অজনালা কাণ্ডৰ বিচাৰ প্ৰক্ৰিয়া। পঞ্জাৱ আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ে যোৱা সপ্তাহত পঞ্জাৱ চৰকাৰক এনএছএ বন্দিত্বৰ ম্যাদ শেষ হোৱাৰ পিছত অমৃতপালক গ্ৰেপ্তাৰৰ অনুমতি দিছিল আৰু তেওঁক ডিব্ৰুগড় কাৰাগাৰতে আবদ্ধ কৰি ৰাখিবলৈ সন্মতি দিছিল। আদালতে আৰক্ষী আৰু ন্যায়িক জিম্মাকে ধৰি সকলো প্ৰক্ৰিয়া ভিডিঅ' কনফাৰেঞ্চিঙৰ জৰিয়তে কৰিবলৈ অনুমতি দিছে। অজনালা গোচৰৰ উপৰি অমৃতপাল আৰু তেওঁৰ সহযোগীসকলৰ বিৰুদ্ধে অমৃতসৰ (গ্ৰাম্য), জলন্ধৰ আৰু মোগাত সংঘটিত হোৱা হিংসাত্মক ঘটনাৰ দৰে ১২টা গোচৰ আছে। সমান্তৰালভাৱে ২০২৪ চনৰ ৯ অক্টোবৰত কোটকাপুৰাত গুলীয়াই হত্যা কৰা ছ'চিয়েল মিডিয়া ইনফ্লুৱেন্সাৰ গুৰপ্ৰীত সিং ওৰফে হৰি নৌৰ হত্যাকাণ্ডৰো অমৃতপাল সিঙক মূল ষড়যন্ত্ৰকাৰী হিচাপে অভিযুক্ত কৰা হৈছে। উল্লেখ্য, ডিব্ৰুগড় কাৰাগাৰত বন্দী হৈ থকা অৱস্থাতে অমৃতপাল সিঙে ২০২৪ চনৰ লোকসভা নিৰ্বাচনত নিৰ্দলীয় প্ৰাৰ্থী হিচাপে খাদুৰ চাহাব সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰি বৃহৎ ভোটৰ ব্যৱধানত বিজয়ী হৈছিল। ইয়াৰ পাছতে প্ৰথমবাৰৰ বাবে ২০২৪ চনৰ ৫ জুলাইত শপত গ্ৰহণ কৰিবলৈ সংসদ ভৱনত প্ৰৱেশৰ সুযোগ লাভ কৰিছিল অমৃতপাল সিঙে। পৰৱৰ্তী সময়ত সংসদীয় অধিৱেশনত অংশগ্ৰহণৰ বাবে পেৰ'ল বিচাৰি কৰা দুখন আবেদন পঞ্জাৱ আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ে খাৰিজ কৰিছিল।

# বিশিষ্ট সাংবাদিক নিত্য বৰা

বিশিষ্ট সাংবাদিকগৰাকীয়ে। তেওঁৰ ইচ্ছা অনুসৰি গুৱাহাটীতে বিশিষ্ট লেখক-সাংবাদিকগৰাকীৰ শেষকৃত্য সম্পন্ন কৰা হ'ব বুলি জানিবলৈ দিছে পৰিয়ালৰ লোকে। ইতিমধ্যে তেওঁৰ নশ্বৰ দেহ গুৱাহাটীলৈ লৈ যোৱা হৈছে। উল্লেখ্য, শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ এখন ভিতৰুৱা গাঁৱত জন্মগ্ৰহণ কৰা নিত্য বৰাই অসম আগশাৰীৰ দৈনিক বাতৰি কাকত আৰু আলোচনী সম্পাদকৰ দৰে গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰাৰ লগতে সাহিত্য ক্ষেত্ৰখনলৈও বহু অৱদান আগবঢ়াই গৈছে। ১৯৬২ চনত জামুগুৰিহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা তেওঁ মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয়। তাৰ পিছত তেওঁ দৰং মহাবিদ্যালয়ত নামভৰ্তি কৰে। কিছুদিন তাত অধ্যয়ন কৰাৰ পিছত গুৱাহাটীলৈ আহে নিত্য বৰা। গুৱাহাটী কমাৰ্চ কলেজত তেওঁ প্ৰথমে নামভৰ্তি কৰে আৰু তাৰ পিছত আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়ত অসমীয়া বিষয়ত অনাৰ্ছ লৈ ১৯৬৬ চনত স্নাতক ডিগ্ৰী গ্ৰহণ কৰে। ১৯৭০ চনত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া বিষয়তে স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণ কৰে। ১৯৬৫ চনত ছাত্ৰ অৱস্থাতে তেওঁ সেই সময়ত জনপ্ৰিয় আলোচনী মনদ্বীপ, অসমীয়া কবিতা সমকালীন, নক্সা আদিত লিখা-মেলা কৰিছিল। অসমীয়াৰ উপৰি কলকাতাৰ পৰা সেই সময়ত প্ৰকাশিত কেইখানো ক্ষুদ্ৰ আলোচনীৰ সৈতে জড়িত আছিল নিত্য বৰা। ছ'চিঅ'-পলিটিকেল নামৰ এখন আলোচনী জন্ম দি তেওঁ সেই আলোচনীৰ সম্পাদকো হৈছিল। ১৯৭৬ চনৰ পৰা ১৯৮৫ চনলৈকে তেওঁ এই আলোচনীখ প্ৰকাশ আৰু সম্পাদনা কৰিছিল। ১৯৮৪ চনত তেওঁ মুক্ত সাংবাদিকতাৰ জগতত খোজ দিয়ে। প্ৰায় ২৫ বছৰ ধৰি অসমৰ বিভিন্ন কাকত-আলোচনীত তেওঁৰ স্তম্ভ লেখা প্ৰকাশ পাইছিল। ২০১১ চনত অসমীয়া প্ৰতিদিন কাকতৰ সম্পাদক হিচাপে যোগদান কৰে নিত্য বৰাই। এইগৰাকী সম্পাদক-সাংবাদিকে বহুকেইখন গ্ৰন্থও সম্পাদনা কৰিছিল। ইয়াৰ ভিতৰত অন্যতম ৰত্নটো খণ্ডত প্ৰকাশ পোৱা বেজবৰুৱাৰ ৰচনাৱলী। বিশিষ্ট সাংবাদিকগৰাকীৰ বিয়োগত শোকপ্ৰকাশ কৰিছে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। এক শোকবাৰ্তাত তেওঁ কয়- প্ৰবীণ সাংবাদিক, স্তম্ভ লেখক নিত্য বৰাৰ বিয়োগৰ খবৰ শুনি মৰ্মাহত হ'লোঁ। সুদীৰ্ঘ কাল অসমৰ সাংবাদিকতা আৰু স্বকীয় শৈলীৰ লেখাৰে অনেক অনুৰাগী সৃষ্টি কৰা নিত্য বৰাৰ বিয়োগে এক গভীৰ শূন্যতাৰ সৃষ্টি কৰিলে। তেওঁৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰি শোকাকুল পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছোঁ।

# পশ্চিমবংগ আৰু

কৰি ইভিএম বিকললৈকে বিভিন্ন ধৰণৰ অনিয়ম সংঘটিত হয় বুলি কংগ্ৰেছে অভিযোগ কৰে। এনেদৰে শিলিগুৰিতো ভোটগ্ৰহণৰ সময়ত উত্তেজনাময় পৰিস্থিতিৰ সৃষ্টি হয়। কুইক ৰেছপনছ টীম আৰু প্ৰশাসনৰ তৎপৰতাত উত্তেজনা প্ৰশমন হয় বুলি জানিব পৰা গৈছে। দিনহাটাতো উত্তেজনাৰ সৃষ্টি হয়। উল্লেখ্য যে দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ অহা ২৯ এপ্ৰিলত অনুষ্ঠিত হ'ব আৰু সামগ্ৰিকভাৱে ভোটগণনা অনুষ্ঠিত হ'ব অহা ৪ মে'ত। আনহাতে তামিলনাডু বিধানসভাৰ ২৩৪খন আসনৰ বাবে একেটা পৰ্যায়তে বৃহস্পতিবাৰে হোৱা নিৰ্বাচনত ভোটদানৰ হাৰ আছিল ৮৫.১৪ শতাংশ। দুয়োখন ৰাজ্যৰে নিৰ্বাচনী ইতিহাসত সৰ্বপ্ৰথমবাৰৰ বাবে সৰ্বাধিক ভোটদান হয়।

# কংগ্ৰেছ নেতা পৱন

পৱন খেড়াৰ অগ্ৰিম জামিন আবেদন নাকচ কৰে। যোৱা ৫ এপ্ৰিলত নতুন দিল্লীত কংগ্ৰেছ নেতা পৱন খেড়াই এখন সংবাদমেলত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পত্নী ৰিণিকি ভূঞা শৰ্মাৰ তিনিখনকৈ পাছপ'ৰ্ট আৰু বিদেশত সম্পত্তি থকাৰ অভিযোগ উত্থাপন কৰিছিল। এনে অভিযোগক ভিত্তিহীন আখ্যা দি মুখ্যমন্ত্ৰীৰ পত্নী ৰিণিকি ভূঞা শৰ্মাই পৱন খেড়াৰ বিৰুদ্ধে অপৰাধ শাখাত গোচৰ এজাহাৰ দাখিল কৰিছিল। এনে গোচৰৰ পিছতে আৰক্ষীয়ে পৱন খেড়াক বিচাৰি দিল্লী পৰ্যন্ত অভিযান চলাই যদিও গ্ৰেপ্তাৰত ব্যৰ্থ হয় । আনহাতে তেলেংগানা উচ্চ ন্যায়ালয়ে পৱন খেড়াক ৭ দিনৰ বাবে চৰ্ত সাপেক্ষে অগ্ৰিম জামিন প্ৰদান কৰিছিল। কিন্তু সেই জামিনৰ নিৰ্দেশনাত ত্ৰুটি ৰৈ যোৱা বাবে উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হয় অসম চৰকাৰ। অপৰাধ শাখাত ৰুজু হোৱা গোচৰৰ ভিত্তিত উচ্চতম ন্যায়ালয়ে পৱন খেড়াক তেলেংগানা উচ্চ ন্যায়ালয়ে প্ৰদান কৰা অগ্ৰিম জামিনৰ নিৰ্দেশনাত স্থগিতাদেশ জাৰি কৰে। ইয়াৰ পিছতে পৱন খেড়াই এনে স্থগিতাদেশৰ নিৰ্দেশক প্ৰত্যাহ্বান জনাই পুনৰ উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হয়। কিন্তু শুনানিৰ অন্তত উচ্চতম ন্যায়ালয়ে পৱন খেড়াৰ আবেদনখন খাৰিজ কৰি তেওঁক অসমৰ আদালতত জামিন আবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। এই নিৰ্দেশৰ পিছতেই পৱন খেড়াই অগ্ৰিম জামিন বিচাৰি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হৈছিল।

# ২৮ এপ্ৰিলত ঘোষণা

স্থাপন কৰা হৈছিল চিচিটিভি কেমেৰা আৰু নিয়োগ কৰা হৈছিল ফ্লায়িং স্কোৱাড । সমগ্ৰ ৰাজ্যৰ ৮২১ টা কেন্দ্ৰত অনুষ্ঠিত হৈছিল এই পৰীক্ষা । এইবাৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষত কলা, বাণিজ্য, বিজ্ঞান আৰু বৃত্তিমুখী শাখাত মুঠ ৩, ৩০, ৭৪৪ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হয়। কলা শাখাত অৱতীৰ্ণ হোৱা মুঠ পৰীক্ষাৰ্থীৰ সংখ্যা ২, ৪৭, ৮৬৫ গৰাকী। ইয়াৰ ভিতৰত ১, ০২, ৬৪৮ গৰাকী ছাত্ৰ, ১, ৪৫, ২১৬ গৰাকী ছাত্ৰী আৰু তৃতীয় লিংগৰ পৰীক্ষাৰ্থী আছিল এজন। ইফালে বিজ্ঞান শাখাত মুঠ ৬১, ৫৬৮ পৰীক্ষাৰ্থী অৱতীৰ্ণ হয়। ইয়াৰ ভিতৰত ৩৪, ৮০১ ছাত্ৰ, ২৬, ৭৬৬ ছাত্ৰী আৰু তৃতীয় লিংগৰ পৰীক্ষাৰ্থী আছিল এগৰাকী। আনহাতে বাণিজ্য শাখাত এইবাৰ মুঠ ১৯, ৮০৬ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হয়। ইয়াৰ ভিতৰত ১৩, ৭৮২ গৰাকী ছাত্ৰ আৰু ৬, ০২৪ গৰাকী ছাত্ৰী। বৃত্তিমুখী শাখাত ১, ৫০৫ পৰীক্ষাৰ্থী পৰীক্ষাত অৱতীৰ্ণ হৈছে। ইয়াৰ ভিতৰত ৮৮৭ গৰাকী ছাত্ৰ আৰু ৬১৮ গৰাকী ছাত্ৰী ।

# মল্লিকাৰ্জুন খাৰ্গেলৈ

তেওঁ মন্তব্য কৰে-'এআইএডিএমকেয়ে মোদীৰ সৈতে হাত মিলালে কিদৰে। মোদীতো এজন সন্ত্ৰাসবাদী। তেওঁ কোনো সমতাক বিশ্বাস নকৰে। তেওঁৰ দলটোৱেও সমতা বা ন্যায় বিচাৰত ভৰসা নাৰাখে। যিসকলে মোদীৰ সৈতে হাত মিলাইছে, সকলোৱেই গণতন্ত্ৰক দুৰ্বল কৰিছে। 'প্ৰধানমন্ত্ৰীক' 'সন্ত্ৰাসবাদী' বুলি আক্ৰমণ ভাৰতীয় গণতন্ত্ৰত নজিৰবিহীন ঘটনা। অৱশ্যে পিছত খাৰ্গেই নিজৰ মন্তব্যৰ স্পষ্টীকৰণ দি কয়- 'মই কেতিয়াও প্ৰধানমন্ত্ৰীক সন্ত্ৰাসবাদী বুলি কোৱা নাই। মই মাথোঁ কৈছোঁ মোদীয়ে আমাক ভয় দেখুৱায়। বিৰোধীসকলক সকলো সময়তেই হুমকি দিয়ে। ইডি আৰু অন্যান্য কেন্দ্ৰীয় এজেঞ্চীক ব্যৱহাৰ কৰে বিৰোধীক আতংকিত কৰিবলৈ।' মঙলবাৰে বিজেপিয়ে নিৰ্বাচন আয়োগক আহ্বান জনাইছিল যে কংগ্ৰেছৰ সভাপতিগৰাকীৰ মন্তব্যৰ প্ৰতি তাৎক্ষণিক ব্যৱস্থা গ্ৰহণৰ উপৰিও ৰাজহুৱাভাৱে ক্ষমা বিচাৰিবলৈ নিৰ্দেশ দিব লাগে।

# গুৱাহাটীৰ পৰা নিৰুদ্দেশ

বাবেই বিদ্যালয়লৈ যোৱা বুলি পৰিয়ালক কৈ আহিছিল। দিনৰ ঠিক প্ৰায় ৰৰ বজাত নিজৰ মাতৃলৈ এটা মেছেজ কৰি ভাৱনাই লিখিছিল- 'I am in danger'। তাৰ পিছৰ পৰাই ভাৱনাৰ ম'বাইল ছুইচ অফ পোৱা যায়। এই বাৰ্তা পোৱাৰ পিছতেই পৰিয়ালৰ লোক আৰক্ষীৰ কাষ চাপে। ভাৱনা নিৰুদ্দেশ হোৱাৰ খবৰে ব্যাপক চৰ্চা লাভ কৰে। সামাজিক মাধ্যমতো তেওঁক ক'ৰবাত দেখা পালে খবৰ দিবলৈ প'ষ্ট শ্বেয়াৰ কৰে বিভিন্নজনে। তাৰ পিছতেই শনিবাৰে পুৱা ভাৱনাৰ সন্ধান ওলাল শ্বিলঙৰ প'ল' গ্ৰাউণ্ডৰ সমীপত। যুৱতীগৰাকীক সুস্থ শৰীৰে উদ্ধাৰ কৰাৰ পাছতে সকলোৰে মনত নতুন নতুন প্ৰশ্ন উদয় হৈছে। পশ্চিম আৰক্ষী জিলাৰ ডিচিপি বলীন দেউৰীয়ে এই সন্দৰ্ভত সদৰী কৰা মতে, যুৱতীগৰাকীৰ নিৰুদ্দিষ্টৰ ঘটনাটো কোনো কাৰণতে অপহৰণৰ সৈতে জড়িত নহয়। ঘৰৰ পৰা পুৱাৰ ভাগতে বৰঝাৰৰ কৰ্তব্যস্থলী মাইলছ ব্ৰনছন আৱাসিক বিদ্যালয়লৈ যাম বুলি ওলাই আহিছিল ভাৱনা শৰ্মা। তাৰ পাছতে ভাৱনাই তেতেলীয়াৰ পৰা বিদ্যালয়খনলৈকে উবেৰত অটো এখন বুকিং কৰিছিল। কিন্তু কিছু সময় পিছত সেইখন বাতিল কৰি আন এখন অটো উবেৰত বুকিং কৰিছিল। পৰৱৰ্তী সময়ত সেইখনো বাতিল কৰি এইবাৰ ৭০ টকা ভাৰাত এখন ৰেপিড' মটৰচাইকেল বুক কৰিছিল ভাৱনা শৰ্মাই। ৰেপিড' চালক ছাদ্দামে আৰক্ষীৰ আগত সদৰী কৰা মতে, তেতেলীয়াৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়লৈ তেওঁৰ মটৰচাইকেলখন যুৱতীগৰীয়ে বুক কৰিছিল। কিন্তু গুৱাহাটী বিশ্ববিদ্যালয়লৈ নগৈ ভাৰা আদায় দি অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ বিপৰীতে পথত তেওঁ নামিছিল। মটৰচাইকেলত অহাৰ সময়তো ফোনত কাৰোবাৰ সৈতে যুৱতীগৰাকীয়ে কথাও পাতিছিল। কিন্তু কিধৰণৰ কথা ফোনত তেওঁ পাতিছিল সেই সম্পৰ্কত চালক ছাদ্দাম অৱগত নহয় বুলি আৰক্ষীৰ আগত সদৰী কৰে। উল্লেখ্য যে যুৱতীগৰাকী সন্ধানহীন হোৱাৰ পাছতে পৰিয়ালৰ অভিযোগৰ ভিত্তিত আৰক্ষীয়ে নিশাই উবেৰ কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰি ভাৱনাই বুকিং কৰা গাড়ী দুখনৰ চালকক মাতিও সোধা-পোছা কৰে। দুয়োজন চালকে বুকিং বাতিল কৰা বুলি কোৱাৰ পাছতে তেওঁলোকক যাবলৈ দিয়া হয়। ডিচিপি দেউৰীয়ে সদৰী কৰা মতে, জালুকবাৰীৰ এটা এটিএমৰ পৰা ভাৱনা শৰ্মাই প্ৰায় ৭ হাজাৰ টকা উলিয়াইছিল। তাৰ পাছতে তেওঁ জালুকবাৰীৰ পৰা গ্ৰীন বাছেৰে পল্টনবজাৰলৈ ৰাওনা হৈছিল। যুৱতীগৰাকীৰ ম'বাইলৰ অন্তিম লোকেচন আৰক্ষীয়ে শুক্ৰেশ্বৰ মন্দিৰৰ সমীপত লাভ কৰিছিল। তাৰ পিছৰে পৰা তেওঁৰ ম'বাইল বন্ধ হৈ আছিল। শনিবাৰে শ্বিলঙৰ হোটেল প'ল' টাৱাৰৰ সমীপৰ পৰা পুৱা প্ৰায় ৭.৪০ বজাত এগৰাকী স্থানীয় মহিলাৰ ফোনৰ পৰা নিজ মাতৃক শ্বিলঙত থকাৰ কথা সদৰী কৰাৰ পাছতে তেওঁৰ উপস্থিতি আৰক্ষীয়ে লাভ কৰে। তাৎপৰ্যপূৰ্ণভাৱে সুস্থ শৰীৰে যুৱতীগৰাকীক উদ্ধাৰ কৰাৰ পাছত ম'বাইল ফোনটো তেওঁৰ লগতে আছিল যদিও ৰহস্যজনকভাৱে ছিম কাৰ্ডখন নাছিল। ডিচিপি দেউৰীয়ে সদৰী কৰা মতে, ছিম কাৰ্ডখন হয়তো ম'বাইলৰ পৰা বাহিৰত যুৱতীগৰাকীয়ে দলিয়াই দিছিল। অকল মাতৃকেই নহয়, একে সময়তে নিজৰ প্ৰেমিককো বিপদত পৰা বুলি হোৱাটছএপত বাৰ্তা দিছিল ভাৱনা শৰ্মাই। আৰক্ষীয়ে মেঘালয় আৰক্ষীৰ সহযোগত যুৱতীগৰাকীক উদ্ধাৰ কৰি গুৱাহাটীলৈ আনে। বৰ্তমানে তেওঁক জালুকবাৰী আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে। ঘটনাটো অপহৰণ কাণ্ড নহয় যদিও ইয়াৰ আঁৰত ব্লেকমেইলিং অথবা আন কিবা কাৰক জড়িত আছে নেকি সেই সন্দৰ্ভতো আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

# গড়চুক-আজাৰাৰ বিধ্বস্ত

কোনোফালে বৈ যাব নোৱাৰাত যান-বাহনৰ চকাৰ ঘৰ্ষণত পথৰ মাজত বহু ঠাইত পুখুৰী সদৃশ অসংখ্য গাঁতৰ সৃষ্টি হৈছে। তাৰ মাজতে প্ৰায় ডেৰমাহ ধৰি মাজে-সময়ে হৈ থকা বৰষুণৰ ফলত পানী কোনোফালে বৈ যাব নোৱাৰাত পথৰ মাজত থকা পুখুৰীসদৃশ গাঁতত আৱদ্ধ হৈছে। কেইটামান দিনত সেই গাঁতত ই-ৰিক্সাকে ধৰি ভালেকেইখন তিনিচকীয়া বাহন, মটৰচাইকেলসহ দুচকীয়া বাহন দুৰ্ঘটনাত পতিত হৈ কেইবাজনো চালক-আৰোহী কম-বেছি পৰিমাণে আহত হ'বলগীয়া হৈছে। এই সন্দৰ্ভত বৃহত্তৰ পামহী-মইনাখোৰাং অঞ্চলৰ অগ্ৰণী সামাজিক, সাংস্কৃতিক আৰু ক্ৰীড়া অনুষ্ঠান ইয়ং গ্ৰীন ক্লাবৰ উপদেষ্টা উৎপল কুমাৰ দাস, সভাপতি বিষ্ণুপ্ৰসাদ বড়ো আৰু সাধাৰণ সম্পাদক ধীৰাজ টুমুং, ভীমাশংকৰ মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি সনেশ টেৰণ, সম্পাদক হেনৰী ডেভিদ টেৰণ, সহকাৰী সম্পাদক সুশীল টেৰণ, দেউচতাল নৱজ্যোতি সংঘৰ সভাপতি বলেশ্বৰ ৰংপি, উপ-সভাপতি অশোক থাপাকে ধৰি অঞ্চলটোৰ বিভিন্ন দল-সংগঠনৰ কৰ্মকৰ্তাসকলে সদৰী কৰা পথছোৱাত থকা পুখুৰীসদৃশ গাঁতসমূহ যদি শীঘ্ৰে মেৰামতি কৰা নহয় তেন্তে যিকোনো মুহূৰ্ততে চালকৰ সামান্য অসাৱধানতাৰ বাবে ভয়াৱহ দুৰ্ঘটনা সংঘটিত হোৱাটো নিশ্চিত।

# তামুলপুৰত ভয়ংকৰ পথ দুৰ্ঘটনাত

বৰপেটাৰ অৰুণ মেধি, সৰভোগৰ বিদ্যুৎ দাস, পাটিলাদহাৰ জগত ৰায়, ট্ৰেভেলাৰ চালক পংকজ বৈশ্য, ৰঙিয়াৰ অংকিতা দাস আৰু ৰতন কলিতা, শিৱসাগৰৰ নিতু বৰুৱা, লখিমপুৰৰ শিৱানী বৰুৱা, চৰাইদেউৰ কাব্যশ্ৰী বৰুৱা আৰু গোলাঘাটৰ দিবাকৰ মৰাণক তাৎক্ষণিকভাৱে চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। আহতসকলৰ ভিতৰত ৫জনৰ অৱস্থা অতি সংকটজনক হোৱাত তেওঁলোকক উন্নত চিকিৎসাৰ বাবে ৰঙিয়াৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। বিশেষকৈ কাব্যশ্ৰী বৰুৱা আৰু নিতু বৰুৱাৰ অৱস্থা অধিক সংকটজনক বুলি জানিব পৰা গৈছে। ইফালে, তামুলপুৰ আৰক্ষীয়ে মৰ্মান্তিক ঘটনাটোৰ তদন্ত অব্যাহত ৰাখি ট্ৰেইলাৰখনৰ চালক শৰতজিৎ সিঙক আটক কৰিছে। আৰক্ষী সূত্ৰই জনোৱা অনুসৰি চালকজনৰ বিৰুদ্ধে তামুলপুৰ থানাত ৭৮/২৬ নম্বৰৰ এটা গোচৰ ৰুজু কৰি ভাৰতীয় ন্যায় সংহিতাৰ (BNS) ২৮১/১০৫/১২৫ (বি) ধাৰাৰ অধীনত সোধা-পোছা চলাই থকা হৈছে। আনহাতে ভয়ংকৰ দুৰ্ঘটনাটোৰ খবৰ বিয়পি পৰাৰ লগে লগে সমগ্ৰ ৰাজ্য শোকস্তব্ধ হৈ পৰে। প্ৰতিভাৱান নিশামণি হালৈৰ অকাল বিয়োগত শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। সামাজিক মাধ্যমযোগে তেওঁ কয় যে এক অতি দুখৰ খবৰ পুৱাই শুনি মনটো গভীৰভাৱে ব্যথিত হ'ল। নলবাৰী জিলাৰ হাৰিভাঙাৰ ভাস্কৰজ্যোতি বিহু হুঁচৰি দলটোৰে কালি নিশা তামুলপুৰৰ নোৱাখাটত এক ভয়াৱহ দুৰ্ঘটনাত পতিত হ'ল। দুৰ্ঘটনাস্থলীতে কৰুণ মৃত্যুক আঁকোৱালি লয় দলটোৰ মূল বিহুৱতী, গায়িকা তথা নাগাৰা নামৰ জনপ্ৰিয় পাঠক নিশামণি হালৈয়ে। এক প্ৰচুৰ সম্ভাৱনা কলিতে মৰহি গ'ল। এই মৃত্যু সঁচাকৈয়ে আমাৰ বাবে বৃহৎ ক্ষতি। তেওঁৰ স্বৰ্গগত আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে দুৰ্ঘটনাটোত গুৰুতৰভাৱে আহত হৈ বৰ্তমান চিকিৎসাধীন অৱস্থাত থকা প্ৰতিগৰাকী বিহুৱা-বিহুৱতীৰ আশু আৰোগ্য কামনা কৰিলোঁ। ভুক্তভোগী পৰিয়ালকেইটিলৈ মোৰ গভীৰ সমবেদনা জ্ঞাপন কৰিলোঁ।

# সফলতাৰে ভোটগণনা সম্পন্ন

ৰিটাৰ্নিং বিষয়া আৰু নিৰ্বাচনী বিষয়াসকলৰ এক প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। অসমৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলৰ পৃষ্ঠপোষকতাত অনুষ্ঠিত এই প্ৰশিক্ষণ কাৰ্যসূচীত ভাৰতীয় নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি গণনা প্ৰক্ৰিয়াৰ সকলো দিশৰ সূক্ষ্ম পৰিকল্পনা আৰু ইয়াৰ বাস্তৱায়নৰ বিভিন্ন দিশ সামৰি লোৱা হয় । প্ৰশিক্ষণত অসমৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেল, অতিৰিক্ত মুখ্য নিৰ্বাচনী বিষয়া আৰু যুটীয়া মুখ্য নিৰ্বাচনী বিষয়াসকল সমল ব্যক্তি হিচাপে উপস্থিত থাকে। নিৰ্বাচন আয়োগৰ নিৰ্দেশনা যথাযথভাৱে পালন কৰি নিয়াৰিকৈ ভোটগণনা সম্পূৰ্ণ কৰাৰ বাবে সংশ্লিষ্ট সকলোকে মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে নিৰ্দেশ দিয়ে। তেওঁ লগতে ভোটগণনা কক্ষত ল'বলগীয়া ব্যৱস্থা ৰাজি সম্পৰ্কতো আলোকপাত কৰে। ভোটগণনাৰ সময়ত ইভিএম আৰু ভিভিপেট ব্যৱস্থাপনাৰ ক্ষেত্ৰত বিশেষ সতৰ্কতা অৱলম্বন কৰাৰ বাবেও বিষয়াসকলক নিৰ্দেশ দিয়ে। এই প্ৰশিক্ষণত পোষ্টেল বেলট আৰু ইভিএম গণনা, ষ্ট্ৰংৰূম খোলা আৰু গণনা কক্ষলৈ অনা, কাউণ্টিং বিষয়া-কৰ্মচাৰী নিয়োগ আৰু প্ৰশিক্ষণ, কাউণ্টিং এজেণ্টক পৰিচয় পত্ৰ প্ৰদান, অগ্নিনিৰ্বাপন ব্যৱস্থা, মিডিয়া ব্যবস্থাপনা তথা ভোটগণনাৰ অন্তত নিৰ্দিষ্ট সময়ৰ ভিতৰত সম্পাদন কৰিবলগীয়া কাৰ্যসমূহকে ধৰি সকলো বিষয় সামৰি লোৱা হয় । প্ৰশিক্ষণৰ সময়ত উপস্থিত সকলোৱে ভোটগণনা প্ৰক্ৰিয়াৰ লগত জড়িত বিষয়সমূহ সম্পৰ্কত থকা সকলো দিশ অৱগত হয় । প্ৰশিক্ষণত সকলো জিলাৰ সংশ্লিষ্ট বিষয়াসকলে অংশগ্ৰহণ কৰে । প্ৰশিক্ষণৰ অন্তত সকলোৰে নিষ্ঠা আৰু পূৰ্ণ সহযোগিতাত ভোটগণনা সুকলমে সম্পন্ন হ'ব বুলি মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে দৃঢ়তা প্ৰকাশ কৰে । উল্লেখ্য যে ৯ এপ্ৰিলত ৰাজ্যৰ ১২৬ টা সমষ্টিত একেদিনাই ভোটদান প্ৰক্ৰিয়া সম্পন্ন হৈছিল । এইবাৰৰ নিৰ্বাচনত অৱতীৰ্ণ হোৱা মুঠ প্ৰাৰ্থীৰ সংখ্যা হৈছে ৭২২ গৰাকী । অহা ৪ মে'ত ভোটগণনা অনুষ্ঠিত হ'ব আৰু লগতে নিৰ্ণয় হ'ব প্ৰাৰ্থীৰ ভাগ্য । লক্ষণীয় বিষয় যে এইবাৰৰ বিধানসভা নিৰ্বাচনত ভোটদানৰ সৰ্বকালৰ অভিলেখ ভংগ হয় । এইবাৰৰ নিৰ্বাচনত অসমৰ ৮৫.৯১ শতাংশ লোকে নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰে । আনহাতে এইবাৰৰ বিধানসভা নিৰ্বাচনত মহিলাৰ ভোটদানৰ হাৰ হৈছে ৮৬.৫০ শতাংশ আৰু পুৰুষৰ হৈছে ৮৫.৩৩ শতাংশ । নিৰ্বাচনত ৰাজ্যৰ মুঠ ২৫০, ৫৪, ৪৬৩ গৰাকী ভোটাৰৰ ভিতৰত ১, ২৫, ৩১, ৫৫২ জন পুৰুষ, ১, ২৫, ২২, ৫৯৩ গৰাকী মহিলা আৰু ৩১৮ গৰাকী তৃতীয় লিংগৰ ভোটাৰ ।

# ৪ মে'ৰ পাছত অনুপ্ৰৱেশকাৰীক

কয়-'৪ মে'ৰ পাছত প্ৰথমতে অনুপ্ৰৱেশকাৰীসকলক চুবুৰীয়া ৰাষ্ট্ৰলৈ ওভতাই পঠিওৱা হ'ব। আৰু তাৰ পাছত কোনোদিনে উভতিব নোৱৰাকৈ সীমান্তত এটা বৃহৎ তলা লগাই দিয়া হ'ব।' অনুপ্ৰৱেশকাৰীয়ে অসমৰ লগতে বংগৰ জনগাঁথনি সলনি কৰি পেলাইছে বুলি মত প্ৰকাশ কৰি তেওঁ লগতে কয় যে আমাৰ চৰকাৰ হ'লে চাৰি মে'ৰ পাছত তীব্ৰ অভিযান চলিব। বংগৰ পৰা অনুপ্ৰৱেশকাৰীসকল অসম, ওড়িশা আৰু বিহাৰলৈ যাবলৈ চেষ্টা কৰিব যদিও এই তিনিওখন চৰকাৰে সীমান্ত বন্ধ কৰি দিব। শেষত অনুপ্ৰৱেশকাৰীসকল বংলাদেশলৈ উভতি যাবলৈ বাধ্য হ'ব। বাংলাদেশলৈ পাৰ হোৱাৰ পাছতেই সীমান্তত এটা ডাঙৰ তলা লগাই দিয়া হ'ব বুলিও কয় ড° শৰ্মাই। দক্ষিণ উলুবেড়িয়াত এখন নিৰ্বাচনী সভাত অংশ লৈ মুখ্যমন্ত্ৰীয়ে কয়- ভাৰতত হিন্দুসকল অতীজৰে পৰা আছিল আৰু সদায় থাকিব। হিন্দুসকলক কোনেও ক্ষতি কৰিব নোৱাৰে। পশ্চিমবংগত তৃণমূল কংগ্ৰেছে হিন্দুক ক্ষতি কৰাৰ যি চেষ্টা কৰিছে, তাত সফল হ'ব নোৱাৰে। ৫০০ বছৰৰ অন্তত আমি ৰাম মন্দিৰ পুনৰ নিৰ্মাণ কৰিবলৈ সক্ষম হৈছোঁ। মাথোঁ ৰপ্ত বছৰৰ তৃণমূল কংগ্ৰেছ আমাৰ বাবে কিদৰে বাধা হ'ব? মই মমতা দিদিক ক'ব বিচাৰোঁ- হিন্দুৰ লগত সংঘাতত নাহিব। ভাৰতত হিন্দু আছে, থাকিবই। ইফালে সংবাদ মাধ্যমৰ আগত পশ্চিমবংগত থকা মতুয়া সম্প্ৰদায়ৰ সৈতে বিজেপিৰ সম্পৰ্কৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- মতুয়া সম্প্ৰদায়ৰ সৈতে বিজেপিৰ সম্পৰ্ক পুৰণি। এই নিৰ্বাচনত মতুয়া সম্প্ৰদায় বিজেপিৰ লগত থাকিব, তাত কোনো সন্দেহ নাই। মুখ্যমন্ত্ৰীয়ে বনগাঁও উত্তৰত এক বিশাল ৰোডশ্ব'ত অংশ লয়।


## ENGLISH NEWS SECTION

# Assam Governor attends the 24th Rajya Puraskar Award ceremony of Bharat Scouts and Guides



Guwahati,RB News: Assam Governor Shri Lakshman Prasad Acharya attended the 24th Rajya Puraskar Award Ceremony of the Bharat Scouts and Guides, Assam chapter held at Bhogeswar Phukanani Indoor Stadium at Rudra Singha Sports Complex. The Governor in his speech lauded the awardees for their commitment to the core values of service, character, and leadership. He also acknowledged the invaluable role played by parents, trainers, and officials in nurturing responsible and capable young citizens. He commended the Bharat Scouts and Guides for their yeoman services rendered during the last 75 years particularly during natural disasters and emergencies, demonstrating exemplary commitment. The Governor noted that the organisation with over 6.3 million members, including a significant number of young women, is among the largest youth organizations in the world and has been playing a vital role in nation-building. He also highlighted its contributions during natural disasters and its role in promoting national unity and leadership among youth. Referring to the motto "Be Prepared," the Governor urged the youth to equip themselves with essential life skills and face future challenges with confidence and determination. He emphasized the importance of youth participation in achieving the national goal of a Vikshit Bharat by 2047 and highlighted initiatives aimed at youth empowerment.

## SRH defeated RR by five wickets



RB News: SRH defeated RR by five wickets to record their fourth win in a row in IPL 2026, rising to the third spot on the points table. Driven by Vaibhav Sooryavanshi's 103(37), RR scored 228/6, with SRH chasing it down in 18.3 overs. It's SRH's second-highest successful run chase in the history of IPL. Ishan Kishan top-scored for SRH with 74(31).The highlight of RR innings was a breathtaking century from 15-year-old Vaibhav Sooryavanshi, who smashed 103 off just 37 balls, registering one of the fastest hundreds in IPL history.

## RCB beat GT by five wickets



RB News: Defending champions Royal Challengers Bengaluru returned to winning ways with a five-wicket victory over Gujarat Titans in the IPL here on Friday. RCB overhauled the challenging 206-run target in 18.5 overs, the win brilliantly set up by Virat Kohli's 44-ball 81 and Devdutt Padikkal's quickfire 27-ball 55. The duo put together 115 runs from 59 balls for the third wicket to make it a lopsided chase. Opener Sai Sudharsan returned to form with a 58-ball 100, his third IPL century, as Gujarat Titans posted 205/3 after RCB opted to bowl.

## CSK sign Akash Madhwal as Ayush Mhatre's replacement




RB News: Chennai Super Kings have signed up fast bowler Akash Madhwal as the replacement for Ayush Mhatre for the rest of the IPL 2026 season. Mhatre, CSK's highest run-scorer so far this season, was ruled out after injuring his hamstring while batting during CSK's previous game against Sunrisers Hyderabad on April 18. He will require a rehabilitation period of six to 12 weeks, according to CSK. Madhwal joins CSK for his base price of INR 30 lakh.

## PBKS beat BC by 6 wickets



RB News: Punjab Kings kept their unbeaten record in the Indian Premier League alive with a six-wicket victory over the Delhi Capitals. On the way to chasing down the target of 265, Punjab set a record for the highest successful run chase in T20s. Captain Shreyas Iyer rode his luck on his way to an unbeaten 71 off 36 balls. He was dropped twice in the span of three balls by Karun Nair, once on 28 and then on 35. Before Iyer, it was Prabhsimran Singh, who smashed a 26-ball 76, and Priyansh Arya (43 off 17 balls) who smashed Delhi's bowlers all over the park, taking Punjab to 116/0 in the powerplay.

## Actor Biplab Dasgupta passes away at 75



RB News: Veteran Bengali actor Biplab Dasgupta, known for his roles in films such as 'Baishey Shraban', 'Gumnaami' and 'Zulfiqar', passed away on Friday aged 75 in Kolkata after a prolonged illness. Dasgupta, who had been ailing after a prostate operation, is survived by his wife and daughter. Dasgupta leaves behind a legacy spanning memorable stage performances, popular television serials, telefilms, cinema and audio plays.

## CSK defeated MI by 103 runs



RB News: Chennai Super Kings registered their biggest win over Mumbai Indians in IPL history, beating them by 103 runs in their IPL 2026 clash at Mumbai's Wankhede Stadium on Thursday. it's MI's biggest defeat (by runs) in IPL history. CSK posted a total of 207/6 and dismissed MI for 104 runs. Playing his first IPL 'El Clasico', CSK's Sanju Samson scored an unbeaten 101 in the first innings, while Akeal Hosein returned figures of 4 for 17 in the second innings to demolish the Mumbai Indians batting.

# কলিতে মৰহি যোৱা এটি সপোন



**ৰিমি হাজৰিকা, মাজুলী**

উচ্চশিক্ষাৰ বাবে আগ্ৰহী মায়াই তাইৰ যেন আজি সপোনৰ বৃন্দাবনত ভৰি থৈছে; কাৰণ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত আজি তাইৰ প্ৰথম দিন। বুকুত অজস্ৰ আশা লৈ তাই উপনীত হৈছিল সপোনৰ কাৰেঙৰ, কাৰণ তাইৰ লক্ষ্য, তাইৰ আশা অধ্যাপিকা হোৱাৰ। কিন্তু বিশ্ববিদ্যালয়ৰ প্ৰথম দিনাই শেষ হৈ গৈছিল, তাইৰ আশা, তাইৰ কল্পনা। বিশ্ববিদ্যালয়ৰ ছিনিয়ৰ ছাত্ৰ ছাত্ৰী সকলৰ আতিশায্য এক অৰ্থত 'ৰেগিং' ৰ নামত হোৱা অত্যাচাৰ সহ্য কৰিব নোৱাৰি, আত্মহত্যা কৰে মায়াই। মাক - দেউতাকৰ সকলো আশা, ভৰষা মাটিত মিহলাই গুছি গৈছিল এক অজ্ঞাত পৃথিৱীৰ বাসিন্দা হৈ। এনেকৈয়ে কলিতে মৰহি গৈছিল মায়াৰ অধ্যাপিকা হোৱাৰ সপোন।

# অচিন দিগন্তৰ অঘৰী



**জ্যোতিমণি মাহন্ত, যোৰহাট**

অঘৰী মই, নাই কোনো নিৰ্দিষ্ট ঠিকনা
মই এক যাযাবৰী নদীৰ সোঁত,
বৈ যায় কেৱল অচিন দিগন্তৰ পথত
মই অঘৰী, মই চিৰকালৰ যাযাবৰ।
হাতৰ মুঠিত লৈ ফুৰিছো
যাযাবৰী মনৰ এমুঠি শান্তিৰ বতাহ,
নাই মোৰ কোনো মায়া - মোহ
কেৱল বিলীন হ'ব বিচাৰোঁ যাত্ৰাৰ সুখত।
কাৰোবাৰ বাবে চিনাকি, কাৰোবাৰ বাবে অচিনাকী
মোৰ ফুটা জোলোঙাত আছে হাজাৰ কাহিনী,
বিচাৰি ফুৰো মই সেই সীমাহীন পোহৰ
য'ত দৰিদ্ৰতাৰ মাজতো থাকে পূৰ্ণতাৰ সত্যতা।
বিশাল আকাশৰ এজন অঘৰী আত্মা মই
মোৰ যাত্ৰাই মোৰ পৰিচয়,
থমকি বৈ যোৱা নাই আন্ধাৰত
মাথোঁ বিচাৰি ফুৰো পোহৰৰ নতুন সূৰ্যোদয়।
মোৰ সংগী হৈছে নীৰৱতা
অগণন সংগীতৰ সুৰে মোৰ হৃদয়,
মই অঘৰী, এক অবুজন কবিতা
চিৰদিন চিৰকালৰ মই নিজৰ লয়ত বিভোৰ।

# প্ৰেমৰ ৰং ৰঙা

**নিকুঞ্জ শৰ্মা**

প্ৰেম এক স্বৰ্গীয় অনুভূতি, এক আত্মিক শান্তি। যাৰ ৰং ৰঙা। ৰঙা গোলাপেৰে প্ৰেমক প্ৰতিপন্ন কৰা হয় আৰু মই অনুভৱ কৰোঁ যে প্ৰেমৰ আচল ৰংও ৰঙাই। হয়তো ৰঙা ৰঙৰ মাজেৰে মানুহে প্ৰেমৰ নিভাঁজ সংজ্ঞা বিচাৰি পায়।

প্ৰেম এনে এক পৱিত্ৰ অনুভূতি, যি অনুভূতি হয় মাথোঁ এগৰাকী বিশেষ ব্যক্তিৰ সৈতে, যি গৰাকীয়ে হৃদয়ৰ নিভৃত কোণত থিতাপি লয়। আমাৰ মন-মগজু, চিন্তাধাৰা সকলোতে মাথোঁ সেই বিশেষ ব্যক্তি গৰাকীৰ উপস্থিতি মূৰ্ত হৈ উঠে। যি গৰাকী ব্যক্তিৰ সান্নিধ্য আৰু স্পৰ্শই আমাৰ ওঁঠত হাঁহি বিৰিঙাই তোলে। তেওঁৰ উপস্থিতি আমাৰ জীৱনৰ সুখৰ উৎস, আমাৰ বাবে এক আশীৰ্বাদ স্বৰূপ হৈ পৰে।

এই পৃথিৱীৰ অসংখ্য ব্যক্তি, অগণন ব্যক্তিত্বৰ মাজত আমাৰ হৃদয়ে মাথোঁ সেই বিশেষ ব্যক্তি গৰাকীক বাছনি কৰি লয়, যি গৰাকী আমাৰ বাবে হৈ পৰে অদ্বিতীয় আৰু অনন্য। যাৰ সৈতে হয় মোৰ আত্মাৰ সংযোগ, আমাৰ হৃদয়ৰ এক পৱিত্ৰ বান্ধোন।

প্ৰেমত কেৱল এটা ৰঙেৰে ৰঙীন নহয়, বৰঞ্চ সেই বিশেষ ব্যক্তি গৰাকীৰ ৰঙেৰে ৰঙীন হৈ পৰে, যাক আমি হিয়া উজাৰি ভাল পাওঁ। যাক আমি আমাৰ হৃদয়ত এক বিশেষ স্থান দিওঁ। সকলো ৰঙৰ ভিতৰত ৰঙা এনেকুৱা এটা ৰং, যিয়ে আন সকলো ৰঙকে এনেভাৱে সুন্দৰকৈ সাবটি ল'ব পাৰে যে সি নিজৰ অস্তিত্বই পাহৰি যায়, তথাপি দেখিবলৈ মোহনীয় হৈ থাকে।

ইয়াৰ সৌন্দৰ্যৰ এক বিশেষত্ব আছে, ইয়াৰ মাদকতাই সুকীয়া। এয়াই হয়তো প্ৰেমৰ সৌন্দৰ্য, য'ত আমি সেই বিশেষ ব্যক্তি গৰাকীৰ চিন্তাধাৰা, দৃষ্টিভংগী, ধৰণ-কৰণ, শ্ৰদ্ধা আৰু মৰমেৰে এনেভাৱে সজ্জিত হৈ পৰোঁ যে কেতিয়াবা আমি নিজৰ অস্তিত্বও পাহৰি যাওঁ। এয়া আমা বাবে প্ৰেমৰ এক নিঃস্বাৰ্থ আৰু গভীৰ দিশ।

প্ৰেমৰ ৰং ৰঙা-এইযাৰ কথা আমাৰ বাবে চিৰন্তন। ৰঙা ৰঙে গভীৰ আবেগ, সাহসিকতা আৰু প্ৰেমাস্পদৰ প্ৰতি থকা অকৃত্ৰিম আকৰ্ষণক প্ৰতিনিধিত্ব কৰে। ৰঙা গোলাপক আদিম যুগৰ পৰাই প্ৰেমৰ প্ৰতীক হিচাপে ব্যৱহাৰ কৰি অহা হৈছে, যিয়ে শব্দবিহীনভাৱে হৃদয়ৰ অনুভূতি প্ৰকাশ কৰে।



ৰঙা গোলাপক প্ৰেম আৰু ৰোমাঞ্চৰ প্ৰতীক বুলি গণ্য কৰা হয়। যেতিয়া আমি কাৰোবাক ৰঙা গোলাপ দিওঁ, তেতিয়া ইয়াৰ অৰ্থ হয় যে তেওঁৰ প্ৰতি আমাৰ প্ৰেম, ৰোমাঞ্চ তথা আবেগৰ গভীৰ অনুভূতি আছে।

এই ৰঙা ৰঙেই প্ৰেমিক-প্ৰেমিকাৰ মনত ৰোমাঞ্চ আৰু হেঁপাহৰ সৃষ্টি কৰে। মোৰ দৃষ্টিত, ৰঙা গোলাপ হৈছে প্ৰেমৰ প্ৰকাশৰ এক সৰ্বোত্তম মাধ্যম। যেতিয়া এজন প্ৰেমিকে তেওঁৰ সংগীক ৰঙা গোলাপ আগবঢ়ায়, তেতিয়া সেয়া কেৱল এটা ফুল নহয়- সেয়া হয় হৃদয়ৰ নিভৃত অনুভৱৰ এক নীৰৱ ভাষা। ৰঙা ৰঙে কেৱল ভালপোৱাই নহয়, ইয়াত সন্নিহিত হৈ থাকে সাহস, আত্মবিশ্বাস আৰু অদম্য আকৰ্ষণ।

প্ৰেমৰ প্ৰস্তাৱ হওক বা হৃদয়ৰ কথা প্ৰকাশ কৰা হওক- আমাৰ মতে ৰঙা ৰঙৰ কোনো বিকল্প নাই। এই ৰঙা ৰঙেই প্ৰেমৰ অনুভূতিক সজীৱ কৰি ৰাখে আৰু প্ৰেমক আমাৰ মনত এক বিশেষ শিহৰণ আৰু মধুৰ অনুভৱৰ সৃষ্টি কৰে, যিটো আমাৰ বাবে জীৱনৰ আটাইতকৈ শক্তিশালী আৰু পৱিত্ৰ অনুভূতি।

ইয়াৰ লগতে, ৰঙা ৰঙৰ সৈতে মানুহৰ ব্যক্তিত্বৰো এক গভীৰ সম্পৰ্ক আছে। সকলোৰে নিজৰ এক প্ৰিয় ৰং থাকে, আৰু এই ৰঙে ব্যক্তিৰ ব্যক্তিত্বৰ বিষয়ে বহু কথা কয়। ৰঙা ৰং বিশেষ কৰি ওৰ্জা আৰু শক্তিৰ প্ৰতীক বুলি গণ্য কৰা হয়। যিসকল লোকে ৰঙা ৰং পচন্দ কৰে, তেওঁলোক সাধাৰণতে আত্মবিশ্বাসী আৰু সাহসী স্বভাৱৰ হয়।

ৰঙা ৰং ভালপোৱা সকলে জীৱনত সকলো কাৰ্য্য হৃদয়ৰ পৰা কৰিবলৈ পচন্দ কৰে আৰু কোনো কাৰ্য্য আধৰুৱা কৰি ৰাখিবলৈ পচন্দ নকৰে। তেওঁলোকে সমস্যাসমূহলৈ ভয় নকৰে; বৰঞ্চ সাহসেৰে সকলো সমস্যাৰ সৈতে সন্মুখীন হ'ব পাৰে। এনেলোকৰ ভিতৰত এক বিশেষ আত্মবিশ্বাস থাকে, যিয়ে তেওঁলোকক সকলো ঠাইতে নিজৰ পৰিচয় দেখুৱাবলৈ সহায় কৰে।

এইসকল লোক সাধাৰণতে মহত্বাকাংক্ষী হয় আৰু নিজৰ জীৱনত উচ্চ স্থান লাভ কৰিবলৈ চেষ্টা কৰে। তেওঁলোকৰ সপোন ডাঙৰ হয়, আৰু সেই সপোন পূৰণ কৰিবলৈ তেওঁলোকে অক্লান্ত পৰিশ্ৰম কৰে। সাহস আৰু দৃঢ়তা ৰঙা ৰং ভালপোৱা লোকসকলৰ এক ডাঙৰ পৰিচয়।

ৰঙা ৰং প্ৰেম আৰু উষ্ণতাৰ প্ৰতীক হোৱা বাবে, ৰঙা ৰং ভালপোৱা লোকসকল নিজৰ সম্পৰ্কতো একেবাৰে আন্তৰিক হয়। তেওঁলোকে নিজৰ বন্ধু আৰু পৰিয়ালৰ সৈতে গভীৰ সম্পৰ্ক বজাই ৰাখে আৰু নিজৰ প্ৰিয়জনক সুখী কৰি ৰাখিবলৈ সদায়ে চেষ্টা কৰে।

যদিও ৰঙা ৰং শক্তি আৰু উৰ্জাৰ প্ৰতীক, তথাপি কেতিয়াবা ই ক্ৰোধৰো প্ৰতীক হৈ পৰে। ৰঙা ৰং ভালপোৱা লোকসকল কেতিয়াবা সোনকালে ক্ৰোধিত হৈ পৰে, কিন্তু তেওঁলোকৰ ক্ৰোধ বেছি সময় স্থায়ী নহয় আৰু সোনকালে শান্ত হৈ যায়।

সেয়েহে মই হৃদয়েৰে ক'বলৈ বিচাৰোঁ- প্ৰেমৰ ৰং ৰঙা।

ৰঙিলী বাৰ্তা কৰ্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286